চান্দমামা

নভেমবাৰ ১৯৯৬





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ডায়মণ্ড কমিক্সৰ

সফলতাৰ বাঢ়ি যোৱা খোজ

ডায়মণ্ড কমিক্সৰ

বিশেষ সংখ্যা

চাচা চৌধুৰী আৰু ৰাকৰ প্ৰলয়

এক লাখ টকাৰ নগদ পুৰস্কাৰ

'ৰং ভৰা' প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰা
আৰু বহুতো পুৰস্কাৰ জিকি লোৱা

চাচা চৌধুৰীৰ প্ৰকাশিত আন কমিক্স

- চাচা চৌধুৰী আৰু ৱৰ্ল্ডকাপ
- চাচা চৌধুৰী টোকিওত
- চাচা চৌধুৰী আৰু বিং বেং
- চাচা চৌধুৰী আৰু বান্দৰৰ দেশত
- চাচা চৌধুৰী আৰু আফিলাতুন
- চাচা চৌধুৰী আৰু দেহৰাদুন এক্সপ্ৰেছ

জ্ঞানমালিনী
Jnanmalinee

ডায়মণ্ড কমিক্সত

চাৰিশ বছৰৰে পৰা বংশানুক্ৰমে অন্যায় অবিচাৰ আৰু নৃশংসতাৰ বিৰুদ্ধত অকলেই খুঁজি আহিছে : লী ফক দ্বাৰা গঢ়া এটি অসাধাৰণ চৰিত্ৰ–ফ্যান্টম। সৰু ডাঙৰ সকলোৰ মন জয় কৰি আহিছে ফ্যান্টম

- ফ্যান্টম ডাইজেস্ট-54
- ফ্যান্টম ডাইজেস্ট-55
- ফ্যান্টম ডাইজেস্ট-56
- ফ্যান্টম ডাইজেস্ট-57

ডায়মণ্ড কমিক্স প্ৰা.লি. X-30, ওখলা ইণ্ডাস্ট্ৰিয়েল এৰিয়া, (ফেজ-2) নতুন দিল্লী-110 020

प्रिमियर कैमरा

- 35 MM Compact Camera
- 36 रंगीन एवं ब्लैक एण्ड व्हाइट फोटो देनेवाला
- फ्लैश-अटैचमेंट सिस्टम
- उपहार के लिये श्रेष्ठ

कीमत में भारी छूट 750/- रु. वाला अब केवल 450/- रु. में उपलब्ध। डाक-खर्च 30/- रु.। पसंद न आने पर कीमत वापस।

007 टॉय रिवालवर

बिल्कुल नई तकनिक

लाइसेंस आवश्यक नहीं

जानवरों, पक्षियों एवं चोरों से अपनी आत्म-रक्षा हेतु तथा नाटक, पिकनिक आदि के लिये 7 राउन्ड ऑटोमैटिक रिवॉल्वर। कीमत 200 रु. डाक खर्च 30/- रु.

100 बुलेट एवं स्पेशल वेल्ट-केश मुफ्त

नापसंद आने पर कीमत वापस

दोनों सामान एक साथ मंगाने पर डाक खर्च मुफ्त

VIVEK TRADERS (CV)
P.O. MAIRA BARITH (GAYA)

Hey kids! Watch Sachin and your other cricket heroes come alive with Rasna Spread Maker.

Hey, all you cricketing kids!
The excitement begins when you open your favourite Rasna Spread Maker pack. No. We are not just talking about the 500g of delicious spread that your mama can make with it. This time, there's something very special. Just for you. Each pack of your favourite Rasna Spread Maker now has **one exciting Cricketer Card** for you. And that too, FOR FREE!!
The bonus, of course is that you can have all the delicious spread that you really love! So liven up that sandwich, chapati or puri. With Rasna Spread Maker.

Packs also available without this offer

Mudra:EAMR:9543

Wanna listen to rangeela?

Presenting 'My own band'. Realistic beats. Disco lights. Four rap sounds - rattle drum, side drum, bass drum and cymbals. Composes simple tunes.

Bol baby bol, rock 'n'roll!

A fabulous 3-in-1. Happy b'day tune. Mini keyboard with 11 piano keys. Rap music with 5 rap sounds.

Have a peppy, groovy, feet-tapping, rock'n'roll, zingy, freaked-out, pacy, musical Diwali.

Kapil and Sachin have a secret to say!

Talking Pocketable Phone. Listen to what Sachin and Kaps have to say about cricket. Real telephone sound. Musical push-key functions.

Mom, there's a cake in my piano!

Birthday Cake Piano. Play the birthday song as you celebrate. 13 keys. Accurate musical scale. Perfect tones.

MUM TOYS

M M Toys Industries Ltd

5, Chandra Bagh Avenue (Opp. Hotel President), Mylapore, Chennai 600 004. Ph : 835151, 8543915. Fax : 8552660.

HTA.7454.97

চান্দমামা

সংস্থাপক : চ ক্র পা ণি　　সঞ্চালক : বি নাগিৰেড্ডি

পঢ়াশলীয়া ৰাজনীতি

আগৰ দিনত, ভাৰতত ইংৰাজ ৰাজত্বৰ দিনত, আমাৰ পঢ়াশালিবিলাকত এজনকৈ শ্ৰেণী-নায়ক আছিল। এই ব্যৱস্থা আছিল বৃটিছ-শিক্ষাব্যৱস্থাৰ ঐতিহ্যপূৰ্ণ অংগ। এই শ্ৰেণী-নায়কে কিছু নিৰ্ধাৰিত কৰ্তব্য কৰিবলগীয়া হৈছিল শ্ৰেণীত, আৰু লগতে শ্ৰেণী-নায়কে অধ্যাপকৰ প্ৰিয়তাও আৰ্জিবলগীয়া হৈছিল। শ্ৰেণী-নায়কে তাৰ কৰ্তব্য ঠিকমতে পালন কৰিব পৰা হ'লে অধ্যাপকৰপৰা যি প্ৰশংসা প্ৰাপ্ত হৈছিল, বিদ্যাৰ্থী-জীৱনত তাৰ যথেষ্ট মূল্য আছিল।

কিন্তু এতিয়া সেই দিন আৰু নাই। এতিয়া ছাত্ৰ ছাত্ৰীৰ সংখ্যাও অভাৱিতভাবে বাঢ়িল, আৰু শ্ৰেণী-নায়কৰ সলনি ছাত্ৰ-ইউনিয়ন গঠিত হ'ল, এই ইউনিয়নৰ কৰ্মকৰ্তাসকলক ছাত্ৰ-ছাত্ৰীসকলেই নিৰ্বাচিত কৰে, আৰু এই বিষয়ত আগৰ দিনৰ দৰে অধ্যাপকসকলৰ প্ৰভাৱ নাই, কিয়নো—এইবোৰ নিৰ্বাচন পৰিপুৰ্ণভাবেই ৰাজনৈতিক দলসমূহৰদ্বাৰা প্ৰভাৱিত, আৰু তাৰ অনিবাৰ্য্য ফলস্বৰূপে বিদ্যালয়ৰ পৰিৱেশ উত্তপ্ত হৈ উঠিছে, কলুষিতও হৈছে। পঢ়াশলীয়া শান্ত পৰিবেশৰ সৈতে উত্তপ্ত ৰাজনৈতিক পৰিবেশ জড়িত হোৱাত—কেৰেলাতকৈ গুটি দীঘল—হোৱাৰ দৰেই স্কুল-কলেজবিলাকত পঢ়া-শুনা বহুল পৰিমাণে ধোঁৱাচাঙত উঠি গৈছে, আৰু তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলো উৎকণ্ঠ-উদ্বিগ্ন হৈ উঠিছে তেওঁলোকৰ ল'ৰা-ছোৱালীসকলৰ অনাগত ভৱিষ্যতৰ কথা ভাবি।

আমাৰ আশা, বিদ্যালয়ঘটিত অৱস্থা সম্পূৰ্ণ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ আগতে আমাৰ কৰ্ণধাৰসকলে এই বিষয়ে যথোচিত ব্যৱস্থা অৱলম্বন কৰাটো একান্ত আৱশ্যক। এনেবোৰ কথা-কাণ্ড—বন্ধ কৰিবৰ সময় হ'ল।

বছৰ : ২১　　নভেমবাৰ ১৯৯৬　　সংখ্যা : ৮

খনে ৬'০০ টকা :: বছৰেকীয়া বৰঙনি ৭২'০০ টকা



A POLIO-FREE INDIA!

PULSE POLIO IMMUNIZATION
DEC 7 – JAN 18

The goal gets nearer!
Take the next step on
National Immunisation Days:

December 7, 1996
January 18, 1997

CALLING PARENTS!

Even if

* the child is indisposed or has diarrhoea
* the child had been given polio drops earlier

TO ENSURE CENT PER CENT PROTECTION

Remember to

Take your children (under 5) to the nearest immunisation booth / centre to receive **TWO ADDITIONAL DROPS OF THE ORAL POLIO VACCINE on National Immunisation Days**

The future of the country depends on the future of our healthy children

POLIOPLUS

**LET US STRIVE
TOWARDS CREATING
A POLIO-FREE INDIA
BY 2000 A.D.**



পৃথিৱীৰ খিৰিকীৰে—

ভয়ৰ চোটত নল-গল

বোৰিছ য়েল্‌ৎছিনে অতঃপৰ এটি শহা-জাঁপ মাৰি দ্বিতীয় বাৰৰ বাবে ৰুশ্ দেশৰ ৰাষ্ট্ৰপতিৰ আসনখন অধিকাৰ কৰিলে। জুনৰ ১৫-ৰ দিনা অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ প্ৰথম-পৰ্বত য়েল্‌ৎছিনৰ অন্যতম প্ৰতিদ্বন্দ্বী ৰুশ্ কমিউনিস্ট পাৰ্টিৰ নেতা গেন্নাডি জুগানোভেই আৱশ্যকীয় ভোট প্ৰাপ্ত হৈছিল, বিজয়ী হৈছিল। এই নিৰ্বাচনত প্ৰাক্তন ৰাষ্ট্ৰপতি গৰবাচ্যফো প্ৰাৰ্থী হৈছিল, কিন্তু তেওঁ তৃতীয় স্থানতহে আছিল।

য়েল্‌ৎছিনে ভাবিছিল যে—তেওঁ নিৰ্বাচনৰ প্ৰথম-পৰ্বতে বিজয়ী হৈ বাজীমাৎ কৰিব। কিন্তু — প্ৰথমতে, তেওঁ তেওঁৰ দুৰ্বল স্বাস্থ্যৰ কাৰণে ঠিক মতে প্ৰচাৰ কৰিব পৰা নাছিল, দ্বিতীয়তে —চেচেন-বিদ্ৰোহৰ অৱস্থা ঠিক নিৰ্বাচনৰ আগে এক জটিল অৱস্থা পাইছিলহি, আৰু ঠিক সেই সময়ছোৱাতে দেশৰ আৰ্থিক পৰিস্থিতিও বাৰুকৈ বেয়ালৈ ঢাল লৈছিল।

গতিকে — জানুৱাৰিত ডুমাত (ৰাজ্যসভা) স্পিকাৰ-নিৰ্বাচনত কমিউনিস্ট প্ৰাৰ্থী সহজেই নিৰ্বাচিত হৈছিল। আৰু এই ঘটনাৰ যোগেদি ১৯৯১ চনত বিচ্ছিন্ন হৈ পৰা কমিউনিস্ট পাৰ্টিয়ে পুনৰ বিৰাটভাবে সংগঠিত হোৱাৰ এক প্ৰকৃষ্ট বাট বিচাৰি পাইছিল।

কিন্তু এই কথাতহে গৰবাচ্যফ প্ৰমুখ বহু নেতা সচকিত হৈ উঠিল : য়েল্‌ৎছিনক পৰাজিত কৰিবলৈ গৈ — পুনৰ খাল খান্দি কুম্ভীৰক মাতি অনা নহ'বনে? আনকি — প্ৰথমৰ ফালে কমিউনিস্ট পাৰ্টিৰ সৈতে লগ লাগি কোৱালিশ্যান চৰকাৰৰ আঁচনিও এওঁলোকে কৰা হৈছিল; যদিও কমিউনিস্ট পাৰ্টিৰ অপ্ৰতিহত ৰথৰ চকৰিৰ তলত পুনৰ চেপা খোৱাৰ ভয়ত এওঁলোকে প্ৰকাৰান্তৰে য়েল্‌ৎছিন-বিৰোধিতা এৰি কমিউনিস্ট-ৰথক ৰখোৱাৰ কামত আত্ম-নিয়োগ কৰিলে, আৰু দৰাচলতে এই ঘটনাৰ ফলতেই নিৰ্বাচনৰ দ্বিতীয়-পৰ্বত য়েল্‌ৎছিন মহোদয়ে এটি শহা-জাঁপ মাৰি নিৰ্বাচন-সাগৰ সহজেই পাৰ হ'ল।

আৰু নিৰ্বাচনৰ অন্তত য়েল্‌ৎছিনৰ সৈতে সাক্ষাৎ কৰি স্বৰাষ্ট্ৰমন্ত্ৰীয়ে তেওঁক কৈছিলহি, "এটা বেয়া, আৰু এটি ভাল খবৰ কঢ়িয়াই আনিছোঁ।" য়েল্‌ৎছিনে ক'লে, "জয়জয়তে বেয়াটোকে কোৱাঁ।" স্বৰাষ্ট্ৰমন্ত্ৰীয়ে ক'লে, "কমিউ-নিস্ট প্ৰাৰ্থীয়ে ৬২ পাৰ্চেণ্ট পাই নিৰ্বাচন জিকিব পাৰে।" "তো—ভাল খবৰটোনো কি?" য়েল্‌ৎছিনে সুধিলে। "ভালটো হ'ল—আপুনি—৭২ পাৰ্চেণ্ট পাব যেনহে পাইছোঁ।" —এয়া হ'ল সাম্প্ৰতিক জনপ্ৰিয় ৰুছ ধেমালি।



পণ্ডিতৰ পোটক

মহাপণ্ডিতে ছোৱালীৰ বিয়াৰ কথাত খৰখেদা লগাইছিল, আৰু সেইহে—অনতিপলমে চহৰলৈ যাবলৈ হৰকান্তৰ গাড়ীখনৰ খবৰ লৈছিল।

চহৰলৈ খোজ কাঢ়িও যাব পাৰি, পিছে এডৰা অটব্য অৰণ্যৰ কাষেদি যাব লাগে বুলি পৰাই সেই বাট পৰিহাৰ কৰিছিল, আৰু গাড়ীৰে গৈছিল।

কিন্তু হৰকান্তই তাৰ গাড়ীত জোখে-জোখাৰে যাত্ৰী নোহোৱা হ'লে নাযায়। তাৰ গাড়ীখনত পাঁচজন আৰামছে যাব পাৰে; কিন্তু চাৰিজন যাত্ৰী নহ'লে হৰকান্তই নিজেই নাযাব। আৰু—যদি মাত্ৰ এজনেই গাড়ীখন ভাড়ালৈ ল'ব বিচাৰে, ল'ব পাৰিব, কিন্তু সেইজনে চাৰিজনৰ ভাড়া দিব লাগিব।

ভাগ্য ভাল বুলিয়েই ক'ব লাগিব, মহাপণ্ডিতৰ ক্ষেত্ৰত কথা তেনেকুৱা নহ'ল। গাড়ীত আগৰেপৰাই তিনিজন যাত্ৰী বহি আছিল, মহাপণ্ডিতে এটি সৰু বাকচ লগত লৈ গাড়ীত উঠি বহিলগৈ, আৰু গাড়ীখনে লগে লগে লৰি-চৰি উঠি চলনতকৈ অধিক কেঁচ্‌কেঁচ্‌কৈ শব্দ উঠাই আগুৱাই গৈ থাকিল।

গাড়ীত যি-তিনিজন আগৰেপৰাই বহি আছিল, সেই তিনিজনৰ মাজত সীতাৰামে মহাপণ্ডিতক চিনি পাইছিল। দ্বিতীয় যাত্ৰী ৰংগনাথ চহৰৰ মানুহ, কিবা কামত গাঁৱলৈ আহিছিল, এতিয়া উভতি যাব ধৰিছে। তৃতীয় মানুহজন—যিজন মানুহৰ কাষত মহাপণ্ডিত বহিছিলগৈ, সেই মানুহজনৰ নাম গোপী। গোপীও

ভুধৰ তামুলী

চহৰলৈ যাব বেপাৰ-সম্বন্ধীয় কিবা কামত।

গোপীৰ কাষত আছিল এটা ডাঙৰ টিনৰ বাকচ। আৰামকৈ বহাৰ বাবে মহাপণ্ডিতে গোপীৰ বাকচটোৰ ওপৰত ভৰি মেলি দি বহিল। তেতিয়া গোপীয়ে মহাপণ্ডিতক ক'লে, "বাকচৰ ভিতৰত ভগমানৰ চিত্ৰ আছে, ভৰি গুচাওক।"

মহাপণ্ডিতে লগে লগে ভৰি কোঁচাই ল'লে, আৰু গোপীৰ টিনৰ বাকচটোক হাতেৰে চুই ভকতিৰে প্ৰণাম কৰিলে।

কিন্তু কঁকাল পোন কৰি বহিবলৈ— এনেবোৰ গৰুৰ গাড়ীত—বৰ টান। আৰু —গাড়ীৰ আগৰ ফালে যিদুজন বহিছিল, সেই দুজনে ইচ্ছামতে আৰামকৈ ভৰি মেলি বহিছিল। গোপীয়েও তেনেকৈয়ে ই বহিছিল। কেৱল মহাপণ্ডিতহে কঁকাল পোনাই একেবাৰে পোত-খোৰা যেন হৈ গোঁজটিৰ দৰে বহি আছিল।

অলপ পাছত মহাপণ্ডিতে গোপীক ক'লে, "ডাঙৰীয়া, আপোনাৰ বাকচটো অলপ এইফালে আনক। ভৰি নেমেলাকৈ বহি থকাত বৰ টান পাইছোঁ।"

গোপীয়ে তাৰ বাকচটো মহাপণ্ডিতৰ ফালে ঠেলি দিলে।

তেতিয়া মহাপণ্ডিতে তেওঁৰ বাঁওহাত-খন গোপীৰ বাকচৰ ওপৰত থৈ ভৰি মেলি আৰামকৈ বহিল। কিন্তু গোপীয়ে তাৰ বাকচৰ ওপৰৰপৰা হাত আঁতৰাই ল'বলৈ ক'লে মহাপণ্ডিতক।

মহাপণ্ডিতে মহাবিৰক্তিৰে তিতা-কেঁহা মাতেৰে ক'লে, "হে— ইৰি — মন কৰিছেনে? এয়া ভৰি নহয়, হাতহে!"



"বাকচৰ ভিতৰত কাঁচৰ বস্তু আছে, ভাগিব।" গোপীয়ে ক'লে।

"এইটো টিনৰ বাকচ, ইমান্ সহজতে মোৰ হাতখনে কাঁচৰ বস্তুখিনি ভাঙি পেলাব নোৱাৰে।" মহাপণ্ডিতে গহীন মাতেৰে ক'লে।

গোপীয়ে ক'লে, "এই বাকচটোৰ টিন বৰ পাতল, আৰু কাঁচৰ বস্তুখিনি বাকচৰ ওপৰৰ ফালেই আছে। আৰু—সহযাত্ৰীক অসুবিধাত পেলোৱাটো— ভাল কথা নহয়। গতিকে—হাতখন বাকচৰ ওপৰৰ-পৰা এই মুহূৰ্ততে হটাওক।"

"বাকচটো গাড়ীৰ তলত থৈ দিব পাৰিলেহেঁতেন। আৰু তেতিয়া মই আৰাম কৰি বহিব পাৰিলোহেঁতেন।" মহাপণ্ডিতে গোপীক ক'লে।

"বাকচটোৰ ভিতৰত ভগৱন্তৰ চিত্ৰ আছে, কাঁচৰ বস্তু আছে বুলিহে—লগত —কাষত লৈ লৈছোঁ। আপোনাৰ যে কি অসুবিধা— মই বুজা নাই। গাড়ীখনত আন এজন বহিবপৰা ঠাই আছে, সেইজন থকাহেঁতেন কি কৰিলেহেঁতেন? আপুনি তেতিয়াও ভৰি মেলি তেওঁক গুৰিয়ালে-হেঁতেননে? আৰু তেতিয়া যদি অসুবিধা নাছিল, এতিয়া কিয় আৰু কিহৰ অসুবিধা?" গোপীয়ে গুৰিত গাজিলে।

মহাপণ্ডিতে গোপীৰ এই কথাত কোনো মাত মাতিব নোৱাৰিলে, গোপী যে বৰ জেদী—সেই কথা বুজি পাই মহাপণ্ডিত মনে মনে থাকিল আৰু সুযোগ পালে গোপীকো এইদৰে থেকেচিব বুলি ভাবি থাকিল।

অলপ সময়ৰ পাছত গোপীয়ে খিড়িএডাল হুপিবলৈ জুইশলা বিচাৰি থাকিল। কিন্তু গাড়ীত থকা কেইজনৰ এজনৰো জুইশলা নাছিল। গোপী অস্বস্তিত পৰিল।

ইপিনে—মহাপণ্ডিতো তৃষ্ণাৰ্ত হ'ল। কাষতে থৈ দিয়া লোটাটোৰপৰা পানী পি-খাবলৈ লোৱাত গোপীয়ে মহাপণ্ডিতক কৈ উঠিল, "ডাঙৰীয়া, গাড়ীত বহি পানী নিপিয়ক। কিয়নো—আপোনাৰ মুখৰ-পৰা পানী আমাৰ গাত, মোৰ পবিত্ৰ বাকচৰ ওপৰতো পৰিব পাৰে। গতিকে

—লোটাৰ ঢাকন নোখোলক।"

"কিন্তু মোৰ যে পিয়াহত অণ্ঠ-কণ্ঠ শুকাইছে—তাৰ কি হ'ব?" মহাপণ্ডিতে ক'লে, "গাড়ী ৰখাবলৈ কওঁনে?"

"সেই কথাৰ মই কি জানো? মই জলদি চহৰ পাবগৈ লাগিব। গতিকে—এনেবোৰ সৰুসুৰা কথাত গাড়ী ৰখাব লাগে যদি—কেনেকৈকেনো জলদিকৈ যাব পাৰিম? যদি পানী বিনে মৰণ হয়—সেই কথা বেলেগ; কিন্তু কেৱল পিয়াহ গুচাবলৈ গাড়ী ৰখাবলৈ মত দিব নোৱাৰোঁ।" গোপীয়ে ক'লে।

গোপীৰ কথাত মহাপণ্ডিত ক্ৰুদ্ধ হৈ উঠিল, তেওঁ পানী নাখালে। অলপ পাছত এজন মানুহৰ মুখৰপৰা ধোঁৱা ওলোৱা দেখা গ'ল। মানুহজনলৈ আঙুলিয়াই মহাপণ্ডিতে গোপীক ক'লে, "ডাঙৰীয়া: সৌ সেই মানুহজনে নিশ্চয় ধোঁৱা হুপিছে। গাড়ী ৰখাওঁনে?"

মহাপণ্ডিতৰ কথাত গোপীয়ে বৰ ভাল পালে আৰু গাড়ীখন ৰখাবলৈ ক'লে। তেতিয়া মহাপণ্ডিতে তেওঁৰ পানীৰ লোটাটোৰে সৈতে গাড়ীৰপৰা নামিল আৰু গোপীক ক'লে, "পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই খৰখৰীয়া মাৰিছে, সেই মানুহজনক চিঞৰি মাতিবৰ শক্তিও মোৰ নোহোৱা হৈছে।—মই পানী এটোপা খাওঁনে?"

মহাপণ্ডিতে পাৰেমানে পানীপি-খালে, আৰু তিমানতে সেই বিড়ি হুপি থকা মানুহজন মহাপণ্ডিতৰ কাষ চাপিল। মানুহজনে মহাপণ্ডিতক দেখামাত্ৰেই কৈ





উঠিল, "আপুনি ! ক্ষমা কৰক।" এই বুলি কৈয়েই বিড়িডাল দূৰলৈ দলিয়াই দিলে।

"হাৰে ! তুমি—এয়ানো কি কৰিলা? তোমাৰ বিড়িৰ জুইৰ কাৰণেহে গাড়ীখন ৰখোৱা হৈছিল।" মহাপণ্ডিতে ঘটনাৰ কথা মানুহজনক ক'লে।

তেতিয়া মানুহজনে মহাপণ্ডিতক ক'লে, "ঠিক আছে, হৈ যাব। মই বিচাৰি আনিছোঁগৈ বিড়িডাল।"

কিন্তু মহাপণ্ডিতে তাক ৰখালে। ক'লে, "বিড়িডাল ক'ৰ্ত-কিহত পৰিলগৈ —কি ঠিক। আমাৰ গোপী ডাঙৰীয়াই পৱিত্ৰতাৰ কাৰণে জাম বাজী মাৰিব পাৰে। কিন্তু তেওঁ কোনো অপৱিত্ৰ বস্তু ছুবও নোৱাৰে। তুমি বাটত পৰা বিড়ি-ডাল নানিলেও হ'ব, কিয়নো তাৰে আমাৰ গোপী-ডাঙৰীয়াৰ কাম নিসিজিব। গতিকে—সেইডাল নানিবা।" এই বুলি কৈ, মহাপণ্ডিত পুনৰ গাড়ীত উঠিলগৈ।

পাছত মহাপণ্ডিতে গোপীক ক'লে, "আপোনাৰ বিড়ি হোপাৰ ইচ্ছা পূৰ নহ'ল, পিছে—এই ছেগতে মই পানী পি-খালোঁ—বেয়া কথা হ'ল।"

গোপীয়ে মহাপণ্ডিতক একো নক'লে, কিয়নো -- ক'বলগীয়া একো বিচাৰি নাপালে।

কিন্তু মহাপণ্ডিত চুপচাপ হৈ নাথাকিল। গোপীক যেনেতেনে জুই বা জুইবাহৰ বন্দৱস্ত কৰি দিবলৈ তেওঁ চাৰিওফালে চাবলৈ ধৰিলে -- যদিহে কোনোবা-কুনুবিক পোৱা যায়—যাৰ ওচৰত আছে জুই বা জুইবাহ।

এদল মানুহ গৈ আছিল ক'ৰবালৈ। সিহঁতৰ মাজত এজনৰ হাতত এখন শৰাই, আৰু শৰাইত জ্বলি থকা অঙঠা। কিন্তু— এয়া যে হোমৰ কাৰণে জ্বলোৱা অঙঠা— সেই কথা জানি—মহাপণ্ডিত যেনিবা গোপীতকৈও হতাশ হ'ল। কিন্তু তথাপি মহাপণ্ডিতে—গাঁৱলীয়া হালোৱা এজনৰ-পৰা জুইবাহ পোৱাত সফল হ'ল। সেই হালোৱা মানুহজনে মহাপণ্ডিতক ক'লে, "মোৰ ওচৰত আৰু এটা জুইবাহ আছে, সেইটু আপুনি লওক।"

"মহাপণ্ডিতে জুইবাহটো গোপীক দিলে। গোপী প্ৰকৃততেই আনন্দিত হ'ল। গোপীয়ে আনন্দিত মনেৰে ওঁঠযুৰিত দীঘল বিড়ি এডাল গুঁজি ল'লে আৰু জুইবাহৰপৰা কাঠী এডাল উলিয়াই ল'লে।

আৰু ঠিক তেতিয়াই মহাপণ্ডিতে কৈ উঠিল, "ডাঙৰীয়া, আপুনি বোধকৰোঁ এতিয়া বিড়িডাল হুপিব। কিন্তু বিড়িৰ ধোঁৱাৰ গোন্ধেৰে মোৰ মূৰ ঘূৰায়, বতিয়াওঁ বতিয়াওঁ যেন লাগে—একেবাৰে যাক বোলে মৰোঁ মৰোঁ যেন হওঁ। গতিকে—।"

"তো—এমিনিটমানৰ বাবে গাড়ীখন ৰখাওঁ—? বিড়ি এডাল হুপিলেহে মোৰ ভিতৰত থকা বেয়া চিন্তাবোৰে হুৰ খাব!।" গোপীয়ে ধেমালিতে ক'লে।

"কিন্তু— এইদৰে সৰুসুৰা কথাত গাড়ী ৰখাই থকা হ'লে—চহৰ পাওঁতে পলম হ'ব, আৰু কামবো মুদা মৰিব।"

মহাপণ্ডিতৰ কথাৰ উত্তৰত গোপীয়ে বেজাৰ মাতেৰে ক'লে, "পানী খোৱাৰ কাৰণে গাড়ী যদি ৰখাব পাৰি, বিড়ি খোৱাৰ কাৰণে কিয় নোৱাৰি?—আৰু বিড়িয়ে যদি ইমান বেয়া গোন্ধায় বুলি জানিছিলেই—কিয়নো আপুনি ইমান চেষ্টা কৰি জুইবাহ গোটাইছিল? বিড়ি-যদি নজ্বলাওঁ, জুইবাহৰ আৱশ্যকতা কি?"

"মই যেতিয়া শুচি যাম, তেতিয়া বিড়ি হুপিব পাৰিব। মোৰ নাম হ'ল মহাপণ্ডিত। ঘৰত মোক চবেৰেই বৰ জেদী বুলি জানে।—আপুনি কিমান বাৰ যে মোৰ কামত আপত্তি দৰ্শাইছিল! মই যাতে কমেও এবাৰ আপোনাৰ কামত আপত্তি দৰ্শাব পাৰোঁ আৰু সফল হ'ব পাৰোঁ, তাৰ বাবেহে—আপোনাক পোনাবৰ বাবেহে জুইবাহ গোটাইছিলোঁ।

মহাপণ্ডিতৰ কথাত আন যাত্ৰী দুজনে, আৰু গাৰোৱান হৰকান্তয়ো ৰং পাই হো-হোৱাই হাঁহি উঠিল।

দিন দেখি ভেশ

ৰামগড়ৰ জমিদাৰে ভাবি ভাবি স্থিৰ কৰিলে যে এজন কৰ-আদায়কাৰী কৰ্মচাৰী ল'ব লাগিব। তেওঁ তেওঁৰ জমিদাৰী চলাওঁতে দেৱানক কথাটো ক'লে, আৰু দেৱানেও যথাযোগ্য কৰ-আদায়কাৰী কৰ্মচাৰী এজন বিচাৰি উলিয়াবলৈ ব্যৱস্থা ল'লে।

কৰ-আদায়কাৰীৰ কাম কৰিবলৈ ঢেৰ যুৱক আহিল প্ৰাৰ্থী হিচাপে। জমিদাৰ ডাঙৰীয়াৰ প্ৰত্যক্ষ তত্ত্বৱধানত দেৱানে প্ৰাৰ্থীসকলৰ পৰীক্ষা লৈ থাকিল। তেওঁ প্ৰতিজন প্ৰাৰ্থীক একেটাই প্ৰশ্ন সুধিছিল, "ধৰা বাৰ ফুট দ' আৰু দহ ফুট বহল এটা গাঁতৰ ভিতৰত কেনেবাকৈ পৰি গ'লা। সেই গাঁতৰপৰা কেনেকৈ ওলাই আহিবা?"

প্ৰতিজনেই একেই কথা ক'লে, "সহায়ৰ বাবে চিঞৰি থাকিম, নিশ্চয় কোনোবাই উদ্ধাৰ কৰিবহি।"

কিন্তু এজন যুৱকে দেৱানক সুধিলে, "মহোদয়, যিটো গাঁতত পৰিলোঁ—সেই গাঁতটোত—খটখটি আছেনে?"

"খটখটি থকা হ'লহেঁতেন মই তোমাক এই প্ৰশ্ন কিয় সুধিলোহেঁতেন?" দেৱানে ক'লে।

যুৱকে পুনৰ দেৱানক সুধিলে, "যেতিয়া গাঁতত পৰিলোঁ—তেতিয়া ৰাতিনে দিন?

"সমস্যা ৰাতিৰ বা দিনৰ নহয়, সমস্যা হ'ল গাঁতৰপৰা ওলাই অহাৰ।" দেৱানে খেচখেচাই ক'লে।

তেতিয়া যুৱকে ক'লে, "সময় যেতিয়া ৰাতি নহয়, দিনে-পোহৰে মই কিয় আৰু কেনেকৈ গাঁতত পৰিমগৈ? মই অন্ধনে কি?"

যুৱকৰ উত্তৰ শুনি দেৱানে জমিদাৰ ডাঙৰীয়ালৈ চালে, আৰু জমিদাৰ ডাঙৰীয়াই এই যুৱকক কামত মকৰল কৰিবলৈ ক'লে।



১৫

[আগৰ কথা : ধীবৰধৰে তাৰ মাতৃ পদ্মমুখীক তাৰ পৈলাছলৈ যাত্ৰাৰ সকলো কথায়েই ভাঙি-পাতি ক'লে, কেৱল ৰূপধৰৰ কথাখিনি নক'লে। কিয়নো—মগনিয়াৰবেশী ৰূপধৰৰ পৰিচয় এতিয়াই যদি প্ৰকাশ হৈ পৰে—তেনেহ'লে সিহঁতৰ আঁচনি নষ্ট হ'ব, আৰু বদমাছবো বদমাছ লোভী-কামাতুৰ ৰাজকোঁৱৰহঁতে তেতিয়া কিজানি ৰূপধৰ-প্ৰদত্ত দণ্ডৰ হাত সহজেই এৰাব পাৰিব। ধীবৰধৰে মগনিয়াৰূপী ৰূপধৰক দুখন ৰুটি খাবলৈ দিলে। আৰু তাৰ পাছত···]

ৰূপধৰৰ গৃহতে খলি পুতি মজা কৰি থাই-পি থকা বদমাছ ৰাজকোঁৱৰহঁতে মগনিয়াৰৰূপী ৰূপধৰক দেখা পাই ভুৰু কোঁচাই চালে, আৰু তাত থকা কালিক সুধিলে, "ই ক'ৰপৰা ওলালনো? আগে—এতে ইয়াক দেখা মনত নপৰে।"

কালিয়ে ক'লে, "দৌতাইত, এই মগনিয়াৰ বুঢ়াক মই আগতেও দেখিছিলোঁ যেন লাগিছে।—ওঁ, হয়, ইয়াক সেই গাহৰি-চৰাওঁতা নংক্ৰেমে লৈ আহিছিল।"

তাতেই ভেবাৰ দৰে বৈ থকা নংক্ৰেমক দুৰ্বুদ্ধিয়ে ক'লে, "হেৰাহে, তোমাৰ বেয়া দিন অহা যেন পাওঁ—। আমাৰ ইয়াত মগনিয়াৰৰ দৰ নাটনি হৈছেনে যে—ইয়াক তুমি লৈ আহিলা? তোমাৰ মালিকৰ সা-সম্পদ লুট-পাত কৰাৰ বাবে খাব-নোপোৱাহঁতক আমাৰ ইয়ালৈ মাতি আনিছানে?"

'ধুমুহাৰ আগজাননী'

গৰিহিত। তোমালোকৰ যে খোৱা-পিয়াত মন, দিয়ন-থওনত মন নাই—জানো। পিছে—কাৰোবাক ভিক্ষা নিদিবা বুলি থিয় হৈ থাকিবলৈকো নিদিবানে?"

"বচা! তুমি কালিৰ ল'ৰাই দেখোন পৰহিৰ গীত গাইছা।" দুৰ্বুদ্ধিয়ে ব্যংগ ভাৱেৰে ক'লে।

ইতিমধ্যে বৃদ্ধ মগনিয়াৰবেশী ৰূপধৰে দুখোজমান আগুৱাই আহি দুৰ্বুদ্ধিক ক'লে, "শুনক, মোৰ কথা অক, মান দয়া কৰি শুনক।—এসময়ত ময়ো ধনে-জনে সমৃদ্ধ মানুহ হৈ আছিলোঁ, মোৰ ঢেৰ দাস-দাসী আছিল। কিন্তু এবাৰ হঠাৎ আমাৰ দেৱতা মোৰ ওপৰত বিতুষ্ট হৈ উঠিল, আৰু মোক লুট-পাত কৰিবলৈ সমুদ্ৰলৈ পঠালে। মোৰ সকলো অনুচৰ মিছৰদেশৰ শত্ৰুইঁতৰ হাতত মৰিল, আৰু মই দিশহাৰা হৈ অনাই-বনাই ফুৰি এই ঠাই পালোঁহি। এতিয়া আৰু মোৰ কোনো-কেও ক'তো-কেনিও নাই, মই অকলশৰীয়া এক বৃদ্ধ।"

"শুনা, ইমানতে বৈ দিয়া। যদি আৰু বলকিছা—ইয়াৰপৰা এতিয়াই খেদিম—সেই মিছৰলৈ পঠাই দিম।"

দুৰ্বুদ্ধিৰ কথাৰ উত্তৰত বৃদ্ধ মগনিয়াৰ-বেশী ৰূপধৰে কৈ উঠিল, "আপোনাক—দেখাত বেছ ডাঙৰ যেনেই লাগে, পিছে—আপোনাৰ কলিজা বৰ সৰু যেন

"চাওক, আপোনালোক ডাঙৰ মানুহ হ'ব পাৰে, পিছে সেই বুলি সকলোকে ইমান গৰু বুলি নাভাবিব। কোনেও জানি-বুজি মগনিয়াৰক লগত লৈ ফুৰায়নে? যেই কি নাহওক—আপোনাৰ লগত মোৰ তৰ্কবাদ নকৰিলেও হৈছে। মোৰ মালকিন আৰু সৰু মালিকেই হ'ল মোৰ সকলো। যদি তেওঁলোক ভালে থাকে, ময়ো ভাল থাকিম, তেওঁলেকৰ বেয়া হ'ল—"

ধীৰধৰে নংক্ৰেমথুড়াক ক'লে, "মনে মনে থাকাচোন—। মিছামিছি কথা চোবোৱাত লাভনো কি?" তাৰ পাছত ধীৰধৰে দুৰ্বুদ্ধিক ক'লে, "তুমি শক্তিমান মানুহ, গতিকে—এই বুঢ়াক ঘৰৰপৰা উলিয়াই দিব খুজিছা। কিন্তু এই কাম

পাইছোঁ। এজন ভিখাৰীক ভিক্ষা দিয়াতো ইমান টান পাইছেনে ? তথাপি তো—এয়া আপোনালোকৰ সম্পত্তি নহয়। এই সা-সম্পত্তি আপোনালোকৰ হোৱাহেঁতেন বাৰু কি কৰিলেহেঁতেন ?"

বৃদ্ধা ভিকাৰীৰূপী ৰূপধৰৰ বেজিয়ে-বিন্ধা কথাৰ উত্তৰত দুৰ্বুদ্ধিয়ে ৰূপধৰলৈ এচটা শিল হাতেৰে দাঙি লৈ ৰূপধৰলৈ মাৰি পঠিয়ালে। শিলচটাই প্ৰায় লক্ষ্যভ্ৰষ্ট হৈ ৰূপধৰৰ কাণ চুই গ'ল, কিন্তু ৰূপধৰে বৰ বেছি আঘাত নাপালে।

ভিখাৰীবেশী ৰূপধৰে ফঁটীৰ দৰে ফেঁট মেলি ক'লে, "এই গৃহৰ মালকিনক বিয়া কৰোৱাৰ মন থকাহঁতক কৈছোঁ, কোনেও নিজৰ সা-সম্পদ লুটিয়াৰৰ কবলৰপৰা ৰক্ষা কৰে যদি—কোনো কথা নাই; কিন্তু আনৰ খাই আনৰ পি—যি কৰিছা—সেয়া কিন্তু ক্ষমাৰ অযোগ্য অপৰাধ। ভিখাৰীলৈ শিল দলিউৱা—এক অতি গৰিহিত কাৰ্য্য, একেবাৰে অমানবিক কাৰ্য্য। এই কাৰ্য্যৰ প্ৰতিফল --" দেৱতাই নিশ্চয়েই নিদিয়াকৈ নাথাকিব।

দুৰ্বুদ্ধিয়ে ৰূপধৰক ডাবি মাৰি ক'লে, "বকৰ বকৰ বন্ধ কৰিবিনে নকৰ ? আৰু যদি এষাৰ মতো মাতিছ—তোঃ পিঠত বাবৰি ফুল বাছিমেই জানিবি, তোৰ পিঠিৰ ছাল জীয়াতে বখলিয়াম জানিবি।"

কিন্তু দুৰ্বুদ্ধিৰ এই কুবুৰ্ধীয়া আচৰণ

—আনকি সেই বদমাছ ৰাজকোঁৱৰহঁতৰ মাজৰ ভালেমানেই ভাল নাপালে। সিহঁতে বুঢ়া ভিখাৰীটোৰ প্ৰতি কিছু কোমল ভাব প্ৰদৰ্শন কৰি দুৰ্বুদ্ধিৰ কটু কামৰ প্ৰতিবাদ কৰিলে।

তথাপি দুৰ্বুদ্ধিয়ে ৰাজকোঁৱৰহঁতৰ এই মনোভাৱলৈ উপেক্ষা প্ৰদৰ্শন কৰিলে আৰু ভিখাৰীবেশী ৰূপধৰক তাৰপৰা তৎক্ষণাৎ গুচি যাবলৈ আদেশ দিলে।

এইবোৰ ঘটনাৰ কথা পদ্মমুখীৰ দাসীহঁতেও গম পালে। ৷

পদ্মমুখীয়ে নংক্ৰেমক মতাই নিয়ালে আৰু তাক ক'লে, "সেই বৃদ্ধ মগনিয়াৰ মানুহজনক এবাৰ মোৰ ওচৰলৈ লৈ আহিব পাৰিবা ? বৃদ্ধই হেনো বহু দেশ-

AS·F·3

বিদেশলৈ গৈছিল— যদি তেওঁ আমাৰ তেওঁৰ কিবাকিবি খবৰ ক'ব পাৰে—"

নংক্ৰেমে ৰূপধৰক ক'লেহি, "তোমাক আমাৰ মালকিনে মাতিছে। আমাৰ মালিকৰ কথা যদি তুমি কিবা জানা— কোৱাহি তেওঁক।"

"তোমালোকৰ মালিকৰ বিষয়ে মই বহুতো কিবাকিবি জানো ; কিন্তু ক'বলৈ সময়হে নাই। তুমি তোমাৰ মালকিনক কোৱাগৈ যে মই সাঁজ লাগি ভগাৰ পাছত যাম তেওঁৰ ওচৰলৈ। আৰু ক'বা যে— সেই সময়ছোৱাত তেওঁ অকলেই থাকে যেন তাত।" ৰূপধৰে গুন-গুনকৈ নংক্ৰেমক ক'লে, আৰু নংক্ৰেমেও খোজ ল'লে পদ্মমুখীৰ ওচৰলৈ বুলি।

ভেতিয়া তাত নৃত্য-গীত খানা-পিনা জোৰছে চলি আছিল। আৰু ঠিক তেতিয়াই তালৈ আন এজন ভিখাৰী আহিল। এই ভিখাৰী আছিল সঁচা-সঁচিকৈ ভিখাৰী, সেই অঞ্চলত তাক প্ৰায়েই দেখা গৈছিল। সি চহৰ-নগৰ বহুত-বহুতো কথা-বতৰা বহুতক কৈছিল, আৰু তাৰ বাবে তাক ৰাইজে 'কটকী' বুলি মতা হৈছিল।

সেই ভিখাৰীয়ে বৃদ্ধ ভিখাৰীৰূপী ৰূপধৰক তাত দেখা পায়েই গৰজি উঠি ক'লে, "হাৰে বুৰ্বক, তুমিনো কোন এলেকৰ পেলেকহে? গুচা—গুচি যোৱা, নহ'লে মই এতিয়াই তোমাক বাহিৰলৈ দলিয়াই পেলাম ৰাপেৰে!"

"মই তোমাক কিবা ক'লোঁনে? কিয়-মোৰ ওপৰত অবাবতে খং কৰিছা?

তোমাক যদি কিবা লাগে—খুজি লোৱা। আৰু—বাহিৰলৈ দলিয়াই পেলাবা যে—তোমাৰ সিমান শক্তি হ'বনে ?" ৰূপধৰে কোমলকৈয়েই ক'লে।

"ইমানেই অহম্কাৰ হ'লনে এটা বুঢ়া মাগিখোৱাৰ-পোৰ ? উঠ্, থিয় হ, পমাণ হৈ যাওক— তাই কোন-মই কোন।" কটকীয়ে কেটকেটাই ক'লে।

এই ঘটনাত দুৰ্বুদ্ধিয়ে ৰং পালে। দুৰ্বুদ্ধিয়ে ক'লে, "দেখা যাওক—কাৰ তেজ কিমান তপত। যিয়ে জিকিব—তাক আমি ভালৰো ভালকৈ ভেজ-ভাত খুৱাম আৰু ইয়াতে গধূলালৈকে থাকিবলৈ দিম। আৰু—হাৰি যোৱাক ইয়াৰপৰা মাৰি খেদিম।"

"মই একেবাৰে বুঢ়া হ'লোঁ। আৰু যুঁজিব লাগিব—এক জওৱানৰ সৈতে। আপোনালোকে কথা দিয়ক —মোক আপোনালোকে মৰা-পিটা নকৰে। আৰু —এইজনক যদি আপোনালোকে সহায় নকৰে, মই জিকিবলৈ চেষ্টা দিম।" ৰূপধৰে ক'লে।

দুৰ্বুদ্ধিয়ে, আৰু আন সকলেটিয়েও কথা দিলে যে—ৰূপধৰক কোনেও মৰা-পিটা নকৰিব।

তেতিয়া ধীৰধৰে ৰূপধৰক ক'লে, "এতিয়া মই এই গৃহৰ মালিক। ইয়াত অন্যায় ভাবে তোমাক কোনেও একো কৰিব নোৱাৰিব।"

এইবাৰ ৰূপধৰ—বৃদ্ধ কুঁজা হৈ পৰা ভিখাৰীৰূপী ৰূপধৰ—হঠাৎ পোন হৈ উঠিল, আৰু গাত থকা ছিঙা-ফটা চোলা





সোলোকাই পেলালে। আৰু তেতিয়া আচল ৰূপধৰৰ বলিষ্ঠ বাহু আৰু বহল বুকুলৈ চাই কটকীয়ে ধাৰৰ নলকঁপা দিলে।

ৰূপধৰে ভাবি থাকিল : ইয়াক মই একে ঘোচাই যমৰ আলহী কৰি পঠাব পাৰোঁ, কিন্তু তেতিয়া সেই বদমাছ ৰাজকোঁৱৰহঁতে ভয় খাই ফৰিং ছিটিকা দিব পাৰে, আনকি দুৰ্বুদ্ধিৰো সুবুদ্ধি হ'ব পাৰে। গতিকে—কটকীক এটা সৰুসুৰা খকৰামুকুটিৰে বগৰাই পেলালেই হৈ যাব।

বৃদ্ধ ভিখাৰীবেশী ৰূপধৰে তেওঁৰ ভবা মতেই কাম কৰিলে, আৰু একেটা খকৰামুকুটিৰে কটকীক বগৰাই পেলাই তাৰ ঠেঙত ধৰি চোঁচৰাই নি বাহিৰলৈ ঠেলি পেলালে। আৰু তাৰ পাছত তাক তাৰ চুলিত মুঠি মাৰি ধৰি দুৱাৰৰ ওচৰত বহুৱাই, তাৰ হাতত তাৰেই লাঠিডাল ভৰাই দিলে আৰু ক'লে, "ইয়াত পৰ দি বৈ থাকা। চাবা—কোনো গাহৰি-কুকুৰ-মেকুৰ সোমাব নোৱাৰে যেন। তুমি ইয়াত বহি নিজক মগনিয়াৰহঁতৰ ৰজা বুলি ভাবি থাকা।"

আৰু তাৰ পাছত ৰূপধৰ যথাস্থানত বহিলগৈ। আৰু আন সকলোটি চিত্ৰাৰ্পিতৰ দৰে অবাক দৃষ্টিৰে ৰূপধৰলৈ চাই থাকিল। দুৰ্বুদ্ধিয়েও একো মাত মাতিব নোৱাৰিলে।

সন্ধ্যাকালত পদ্মমুখী ওপৰমহলাৰপৰা তললৈ নামি আহিল, আৰু তেওঁ তেওঁৰ পুত্ৰ ধীৰধৰক ক'লে, "বোপা ধীৰধৰ, এইবোৰ কিনো ঘটিছে? তুমিও যে কিমান যে পৰিৱৰ্তিত হ'লা—! যিবোৰ ঘটনা ঘটিব ধৰিছে—তাৰে আমাৰ ইজ্জত নষ্ট নহ'বনে?"

"মা, তোমাৰ এই ক্ৰোধ তথা চিন্তা—স্বাভাৱিকেই। কিন্তু—ঘটনাৱলী মোৰ হাতত নহয়। কটকীয়ে তাৰ যোগ্য শাস্তিকে পালে।"

অলপ আঁতৰত বৈ থকা বিপুলযোদ্ধা নামৰ ৰাজকোঁৱৰ এজনে কৈ উঠিল, "পদ্মমুখী, তোমালৈ মোৰ আন্তৰিক অভিনন্দন। তোমাৰ সৌন্দৰ্য্যৰ কোনো তুলনা নাই।"

"মোৰ সকলো সৌন্দৰ্য্য মোৰ পতিয়ে লৈ গ'ল। এই কথা সত্য যে—তেওঁ ট্ৰয় যুদ্ধলৈ ওলাওঁতে মোক—তেওঁৰ মৃত্যু-সম্বাদ পোৱা হ'লে—পুনৰ্বিবাহৰ কথা ভাবিবলৈ কৈ গৈছিল। কিন্তু মোৰ স্বয়ম্বৰ ইমানেই অপমানজনক হ'ব লাগেনে? ইমান অপমান মই মানি নলওঁ। একোপধ্যে মানি নলওঁ মই।"

দুৰ্বুদ্ধিয়ে কৈ উঠিল, "তোমাৰ কথা—ঠিক, পদ্মমুখী। কিন্তু তুমি আমাৰপৰা কোনোবা এজনক পতি হিচাপে বাছি নোলোৱালৈকে আমি এজনো ইয়াৰপৰা গুচি নেযাওঁ যে—সেই কথাটিও একেবাৰে সাঁচেকাটে সঁচা বুলি জানি থ'বা।"

এই কথাৰ উত্তৰত পদ্মমুখীয়ে একো মাত নামাতি তলমূৰ হৈ ওপৰমহলালৈ গুচি গ'ল।

*

সন্ধ্যাসমাগমত কক্ষত চাকি জ্বলোৱা হ'ল আৰু বদমাছহঁতৰ খানা-পিনা আৰম্ভ হ'ল, আৰম্ভ হ'ল হৈ-হাল্লা চিঞৰি-বাখৰ। কিছুমান বদমাছৰো বদমাছ ৰাজকোঁৱৰে প্ৰায় বিবস্ত্ৰহেন হৈ নাচিবলৈ ধৰিলে, আৰু আন কিছুমানে মদৰ ৰাগীৰে আচ্ছন্ন হৈ বোকাত লেটি লোৱা গাহৰিৰ দৰে কক্ষৰ ইফালৰপৰা সিফাললৈ বাগৰ দিবলৈ ধৰিলে। কিছুমানে হোক্ হোক্ কৰে বঁতিয়াই থাকিল আৰু পুনৰ টেকেলীয়ে টেকেলীয়ে মদ খাই চিঞৰ-বাখৰ কৰি থাকিল।

তেতিয়া ধীৰধৰে গম্ভীৰ কণ্ঠেৰে কৈ উঠিল, "এইবোৰ কি হৈছে? এইটো আমাৰ ঘৰ—এই কথা মনত ৰাখিব লাগিব। খোৱা হ'ল পিয়া হ'ল—এতিয়া এইবোৰ হৈ-হাল্লা বন্ধ কৰি শুই থাকাগৈ। নহ'লে—"

ধীৰধৰে বৈ দিয়াত মদপীহঁত তাৰপৰা বিনা আপত্তিৰে গুচি গ'ল।

আৰু তেতিয়া তাত থাকিল কেৱল ধীৰধৰ আৰু ৰূপধৰ। [আগলৈ



চান্দমামাৰ জবৰ-খবৰ

শ্ৰৰীফৰ শ্ৰৰীফী

শিক্ষাৰ্থীয়ে আখৰ লিখোঁতে বা অংক লিখোঁতে ভুল কৰা হলে শিক্ষকে শিক্ষাৰ্থীক পুনৰ লিখিবলৈ বাধ্য কৰে, যাক পাৰিভাষিকভাবে 'ইম্প'জিশ্যান' বুলি ক'ব পাৰি। কোয়েম্বাটুৰৰ ত্ৰিছ বছৰীয়া ডেকা এছ. ৰাজা শ্বৰীফে তেওঁৰ প্ৰিয় নেতা ৰাজীৱ গান্ধীৰ নান ৮৫ • বাৰ ইংৰাজিত লিখিলে। কিয় লিখিলে ? ডাকঘৰৰপৰা ৭৫ পইচাৰে এখন ইন্‌ল্যাণ্ড লেটাৰ আনি তাৰ ওপৰত লিখিলে ৰাজীৱ গান্ধীৰ নাম। ·এই ইন্‌ল্যাণ্ড লেটাৰখনত শ্বৰীফে সৰ্বমুঠ ৯৩,৫০০ ইংৰাজি আখৰ লিখি উলিয়ালে। এই কামটি সম্পূৰ্ণ কৰিবলৈ দিনে ছুঘণ্টাকৈ এসপ্তাহ লিখিছিল শ্বৰীফে। যোৱা অগাস্টৰ ২০ তাৰিখ আছিল ৰাজীৱ গান্ধীৰ জন্মদিন, এই দিনত শ্বৰীফে এই কাম আৰম্ভ কৰিছিল, আৰু সমাপ্ত কৰাৰ অন্তত শ্ৰীমতী ছোনিয়া গান্ধীলৈ লিখিছিল এই প্ৰচেষ্টাৰ কথা। ছোনিয়া গান্ধীয়ে শ্বৰীফৰ এই কাৰ্য্যৰ বাবে ৰাজীৱ গান্ধীৰ চিত্ৰ এখনত তেওঁৰ হস্তাক্ষৰেৰে চহী কৰি শ্বৰীফলৈ উপহাৰ দিছিল।

বেদনাময় নৃত্যধাৰা !

২৭ বছৰীয়া বিস্থা চন্দ্ৰশেখৰ নামৰ যুৱতী এগৰাকীয়ে একেৰাহে ৭২ ঘণ্টালৈ ভৰতনাট্যম নৃত্য প্ৰদৰ্শন কৰি এক বিশ্বৰেকৰ্ড কৰিলে। হাৰ্টৰ বেমাৰৰ কবলত পৰি মৃত্যু হোৱা পিতৃৰ স্মৃতিত বিস্থাই এই ম্যাৰাথনীয়া নৃত্য প্ৰদৰ্শন কৰা বুলি কৈছে। হাৰ্টৰ বেমাৰী সকলৰ বাবে বিস্থাৰ অন্তৰত যি মৰমৰ সৃষ্টি হৈছে—এই নৃত্য হেনো সেই মৰমৰ প্ৰকাশ। আমেৰিকাৰ মিছিগানত প্ৰায় ছশ দৰ্শনাৰ্থীয়ে বিস্থাৰ নৃত্য মোহমুগ্ধভাৱে দৰ্শন কৰিছিল। নৃত্যৰ অন্তত বিস্থাৰ ভৰিৰ পতা ফুলিছিল, আৰু বিস্থা যথেষ্ট দুৰ্বল হৈ পৰিছিল। বিস্থাই কৈছিল, "দেউতাক মই আৰু ঘূৰাই আনিব নোৱাৰিম ; কিন্তু মোৰ আন্তৰিক ইচ্ছা— আপোনালোকে সপৰিয়ালে ভালে কুশলে থাকক।" সাত বছৰৰ আগতে বিস্থাই একেৰালে ৪৮ ঘণ্টালৈ নৃত্য প্ৰদৰ্শন কৰিছিল। এইবাৰৰ বাসত্তৰঘণ্টীয়া নৃত্য-প্ৰদৰ্শনেৰে .০০০০ ডলাৰ পাই আমেৰিকীয় ক্যান্সাৰ ছোছাইটিলৈ দান হিচাপে দিলে।

মুদ্ৰাত দেৱতাৰ মূৰ্তি !

মুদ্ৰাৰ ওপৰত শাসকশ্ৰেণীৰ মস্তক-মুদ্ৰণ কোনো নতুন কথা নহয়, সু-সুপ্ৰাচীন কালৰেপৰাই চলি আহিছে। আমাৰ দেশতো এনেবোৰ মুদ্ৰা নথকা নহয়— যিবোৰ মুদ্ৰাৰ ওপৰত মহাত্মা গাঁধী, জৱহৰলাল নেহৰু, ইন্দিৰা গাঁধী, ড° আম্বেডকাৰ প্ৰমুখৰ মস্তক মুদ্ৰিত। অষ্ট্ৰেলিয়াত বহু কাল ধৰি ৰাণী দ্বিতীয় ইলিজাবেথৰ মস্তকচিত্ৰ মুদ্ৰিত হৈছে। কিন্তু সম্প্ৰতে তাত হিন্দু দেৱ-দেৱীৰ — গণেশ, শিৱ, পাৰ্বতী আদিৰ মস্তক চিত্ৰ-মুদ্ৰিত মুদ্ৰা উলিউৱা হৈছে পাৰ্থ-অৰ টকাশালৰপৰা। সিদ্ধি বিনায়কৰ চিত্ৰ-মুদ্ৰিত ২০০০০ সোণৰ মুদ্ৰা অষ্ট্ৰেলিয়াৰপৰা মুম্বাইৰ বিনায়ক মন্দিৰে সম্প্ৰতে উপহাৰস্বৰূপে প্ৰাপ্ত হৈছে।

লোণ্ডনত হিন্দু-মন্দিৰ !

লোণ্ডনৰ (লণ্ডন) নেছডেনত সেই দেশৰ প্ৰথম হিন্দু মন্দিৰ নিৰ্মীয়মান। ৬০ খন চাপৰে সৈতে বিৰাট চিৰিযুক্ত এই মন্দিৰৰ ব্যাস হ'ল। ২৭১৫ ফুট। এই মন্দিৰত নাৰায়ণ-মূৰ্তি অৰ্থাৎ শ্ৰীবিষ্ণুৰ মূৰ্তি প্ৰতিষ্ঠিত হ'ব। এই মন্দিৰত ২৬৩০০ শিল্পকৰ্মৰ আহি প্ৰদৰ্শিত হ'ব। ইতালি, বাল্‌গেৰিয়া আৰু ভাৰতৰপৰা মৰ্মৰ-প্ৰস্তৰ অনোৱা হৈছে। ৰাজস্থানৰ ১৫০০ শিল্পকাৰে অপূৰ্বসুন্দৰ শিল্পকৰ্ম সেইবোৰ প্ৰস্তৰৰ বুকুত খোদিত কৰিলে। আনকি—এই মন্দিৰৰ স্তম্ভ, দেৱাল আৰু মজিয়া আদিতো সূক্ষ্মাতিসূক্ষ্ম শিল্প-কৰ্মৰ স্পৰ্শ থাকিব। এইবোৰ শিল্প-প্ৰস্তৰ ভাৰতবৰ্ষ, ইতালি আদি দেশৰপৰা জাহাজ যোগে ইংল্যাণ্ডলৈ যোৱা হৈছে।

জীৱনৰ প্ৰকৃত ক্ষণ

সেই গছজোপৰা ডালৰপৰা মৃতদেহটো পুনৰ নমাই লৈ মৰিশালিলৈ বুলি পুনৰ গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক কৈ উঠিল, “হে ৰজা, তুমি প্ৰতি বাৰেই অসফল হৈছা, আৰু পুনৰ এই একেই কৰ্মত লিপ্ত হৈছা। ব্যৰ্থতা অৱধাৰিত বুলি জানিও কিয় আঁকোগজাৰ দৰে আচৰণ কৰিছা—কেৱল তুমিহে ক'ব পাৰিবা। তোমাক বাৰু কি লাগে ? হালোৱাই বিচাৰে ভূস্বামী হ'বলৈ, ৰজাই বিচাৰে সম্ৰাট হ'বলৈ। তুমিনো বাৰু কি হ'বলৈ প্ৰাণপাত কৰিছা ? কিহৰ সাফল্য তোমাক লাগে ? হয়তো তুমি মোহনকৃষ্ণৰ দৰে সৰ্বসাফল্যক দলিয়াই পেলাই হেলাৰঙে পুনৰ নিজ স্থানলৈ গুচি যাবাগৈ। মই তোমাক মোহনকৃষ্ণৰ কাহিনী কওঁ, শুনা।” এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে :

‘বেতাল-কথা’



দিন অবাবতে নষ্ট কৰাত কি লাভ? তাতকৈ — খেতি-বাতিৰ কামতে মোক সহায় কৰা।"

পিতাকৰ কথাৰ উত্তৰত মোহনে ক'লে, "খেতি-পথাৰত যিমানেই মেহনত কৰা যাওক—কিনো লাভ? যি আছে, সিয়েই থাকিব, আৰু গোটেই জীৱন ধৰি মাত্ৰ সিমানেই চলি থাকিব। তাতকৈ— মই তপস্যাত ধৰি তপোবল আৰ্জিব পাৰোঁ। যদি—আমাৰ দৈন্য-দশা ঘুচিব।"

পুতেকৰ কথা শুনি পিতাকে গমিলে যে এয়া হ'ল—বিদ্যাশিক্ষাৰ ফল। বিদ্যাই তাৰ সাধাৰণ মনটোক অসাধাৰণ কৰি তুলিছে, আৰু তেওঁৰ কথাত এতিয়া আৰু তাৰ কোনো আস্থা নোহোৱা হৈছে। মোহনৰ মাতৃয়েও পুত্ৰৰ কথা শুনি একো মাত মাতিব নোৱাৰিলে।

আৰু—পাছদিনাই এটা টোপোলাত কিছুখিনি খোৱা-বস্তু বান্ধি লৈ মোহনকৃষ্ণ ওলাল। গৈ গৈ দুপৰীয়াৰ পৰত এক অটব্য অৰণ্যৰ কাষত থকা সৰোবৰ এটাৰ পাৰত জিৰণি ল'বলৈ বহি মোহনে পুনৰ আকাশ-পাতাল ভবাত নিমগ্ন হ'ল। আৰু ঠিক তেতিয়াই এজোপা গছৰপৰা বান্দৰ এটা জঁাপ মাৰি নামি আহিল, আৰু মোহনৰ খোৱাবস্তুৰ টোপোলাটো লৈ, এডাল সৰু ৰূপৰ বাঁহী মোহনৰ ওচৰত পেলাই থৈ, পুনৰ জঁাপ মাৰি গছৰ মূধলৈ

গোকুলপুৰ নামৰ গাঁৱতে মাহনকৃষ্ণ নামৰ এজন যুৱক আছিল। মোহনে টোলত গুৰুৰ অধীনত শিক্ষা সমাপ্ত কৰাৰ অন্তত গাঁৱলৈ উভতি আহিল আৰু কোনো কাম-বন নকৰাকৈ গাঁৱৰে বড়জোপাৰ তলত বহি বহি আকাশ-পাতাল ভাবি থাকিল। মোহনৰ দেউতাকে আশা কৰিছিল যে টোলৰ শিক্ষাৰ অন্তত মোহনে নিশ্চয় খেতি-বাতিৰ কামতে হাত-উজাৰ দিব; কিন্তু তেওঁ ভবা মতে একো নহ'ল।

তেতিয়া মোহনৰ দেউতাকে এদিন মোহনক ক'লে, "বোপা, এইদৰে— একেবাৰে অকৰ্মণ্যৰ দৰে বহি বহি আকাশ-পাতাল ভাবি ভাবি দিনৰ পাছত

উঠি ইগছৰপৰা, সিগছলৈ জঁাপ মাৰি মাৰি গৈ গৈ বান্দৰটো হঠাৎ অহাদি হঠাতেই অদৃশ্য হৈ গ'ল।

মোহনে সেই বাঁহীডাল হাতত লৈ ঘূৰাই-পকাই চাই থকাতে এগৰাকী মুনি তালৈ আহিল, আৰু মোহনে মুনিক সাষ্টাংগে প্ৰণাম কৰিলে।



মুনিয়ে মৰমৰে মোহনক ক'লে, তোমাৰ সকলো কথা মই জানিছোঁ। তুমি যে তপোশক্তি বিচাৰি ওলাইছা—জানিছোঁ মই। শুনা, তোমাৰ হাতত থকা সেই যে মুৰুলী—সেই মুৰুলী সাধাৰণ মুৰুলী নহয়। এই মুৰুলী হ'ল মহিমাৱান মুৰুলী। এই মুৰুলীৰ ধ্বনি যিজনৰ বা যিমানজনৰ কৰ্ণত প্ৰবেশ কৰিব, নিদ্ৰাৰে অভিভূত হৈ পৰিব। কিন্তু—এই মুৰুলী বজাওঁতা কদাপি নিদ্ৰাভিভূত নহ'ব। কেৱল মানুহেই নহয়, এই বংশীধ্বনি কাণত সোমালে পশু-পক্ষী, পিশাচ-ৰাক্ষস, দৈত্য-দানৱাদিৰো সেই একেই অৱস্থা হ'ব। আৰু এটা কথা। এই মুৰুলীৰ ব্যৱহাৰ—ব্যৱহাৰ-কৰোঁতাৰ সামৰ্থ্য অনুসাৰেহে কৰিব লাগিব, নতু, বিপৰীত ফল ফলিব পাৰে। এই সাৱধানবাণী সদায় মনত ৰাখিহে এই মহিমাৱান মুৰুলীৰ ব্যৱহাৰ কৰিবা।" এই বুলি কৈয়েই সেই মহামুনি তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

তাৰ পাছত মোহনকুঞ্চই মহিমাৱান মুৰুলীৰে সৈতে নিজ গাঁৱলৈ বুলি খোজ ল'লে। গৈ গৈ—বহু সময়ৰ পাছত—অৰণ্যৰপৰা এটা পহুৰ পিছ খেদি অহা বিৰাট বাঘ এটাক দেখা পাই মোহন ভয়তে ঠৰ হ'ল। কিন্তু পাছ মুহূৰ্ততে মুৰুলীৰ কথা মনত পৰাত মুৰুলী বজোৱাৰ লগে লগেই পহুটো আৰু লগতে সেই বিৰাট বাঘটোও টোপনিত বৰি-বকৰা হ'ল, আৰু সেই মুৰুলী বজাই বজাই মোহনে দৌৰি দৌৰি আগুৱাই গৈ এঠাইত ক্ষন্তেকমানৰ বাবে ৰ'ল।

আৰু লগে লগেই এজোপা গছৰপৰা এজনী বিকট ৰাক্ষসী মোহনৰ আগত জঁাপ দি পৰিল।

ৰাক্ষসীয়ে তাৰ মূলাহেন দাঁত দুপাৰি

উলিয়াই তৃপ্তিৰ হাঁহিৰে মোহনক ক'লে, "মই বৰ ভোকাতুৰ। ডৰত কঁপ্পি-জঁপ্পি লাভ নাই। বেহুঁচ হৈ পৰা, মই তোমাক খাই পেট ভৰাওঁ।"

মোহনে সাহসৰে সৈতে ৰাক্ষসীক সুধিলে, "মই বেহুঁচ নোহোৱালৈকে মোক খাব নোৱাৰিবানে কি?"

ৰাক্ষসীয়ে ক'লে, "কিনো কওঁ দুখৰ কথা—এবাৰ মই ম'হ এজনীক খাই ম'হজনীৰ হাড়বিলাক দলিয়াই পেলাইছিলোঁ—পৰিছিলগৈ এক মুনিৰ আশ্ৰমৰ ওপৰত। মুনিয়ে ক্ৰুদ্ধ হৈ মোক এই অভিশাপ দিছিল যে হুঁচ থাকোঁতে কোনো প্ৰাণীক মই খাব নোৱাৰিম।"

তেতিয়াহে মোহনৰ মনত পৰিল তাৰ মহিমাৱান মুৰুলীৰ কথা। আৰু সেই মুৰুলীৰ ধ্বনিৰে মোহনে এই বিৰাট ৰাক্ষসীক টোপনিৰে বগৰাই পেলাই তাৰপৰা অতি দ্ৰুতগতিৰে গুচি যাবলৈ ধৰিলে।

কিন্তু ইতিমধ্যে ৰাক্ষসী পুনৰ জাগি উঠিছিল, আৰু 'ৰ'বা, ৰ'বা' বুলি কৈ কৈ মোহনৰ পিছে পিছে দীঘল দীঘল খোজেৰে আহি থাকিল।

ইতিমধ্যে মোহনে এখন সুদৃশ্য দোলা দেখা পালে। দোলাখন চাৰিজন দোলা-ভাৰীয়ে কঢ়িয়াই লৈ যাব ধৰিছিল, আৰু দোলাখনৰ আগে-পিছে অনেক অশ্বাৰোহী সৈন্যও আছিল।

ৰাক্ষসীয়ে কৈ উঠিল, "মই যে কিমান ভাগ্যমান! এটা মানুহক খেদিলোঁ—কত যে মানুহ পালোঁ!" এই বুলি কৈ কৈ সি ঠা-ঠাকৈ অট্টহাঁহিৰে অৰণ্যপ্ৰান্ত কঁপাই তুলিলে।

ৰাক্ষসীৰ বিকট-বিচিত্ৰ হাঁহি শুনি দোলাৰ ভিতৰৰপৰা এজনী অতি সুন্দৰী তৰুণীয়ে মুখ উলিয়াই বাহিৰলৈ চালে। যেনিবা — মেঘৰ আঁৰৰপৰা চন্দ্ৰমাই ভুমুকিয়ালে।

আৰু এই মুখসৌন্দৰ্য্যৰ অপৰূপ শোভাময় প্ৰকাশ দেখি মোহনকুমাৰই জীৱনত প্ৰথমবাৰৰ বাবে ভাবিলে: সুন্দৰী—বোধকৰোঁ ইয়াকেই কয়। এই

সুন্দৰীক যদি জীৱন-সংগিনী ৰূপে নাপাওঁ —এই জীৱন নিষ্ফল।

ৰাক্ষসীৰ বিকট ৰূপ দেখা পাই সুন্দৰী আৰু সৈন্যইঁত ভয়ত কঁপি উঠিল। আৰু সেই ৰাক্ষসীয়ে একেলগে ইমান-বোৰ-খাদ্য পাই লাহে-ধীৰে আগুৱাই আহি থাকিল।

আৰু ঠিক তেতিয়াই মোহনে তাৰ মুৰুলীৰ ধ্বনিৰে সেই ঠাইডোখৰ মুখৰিত কৰি তুলিলে। লগে লগে তাত থকা সৈনিক, ৰাক্ষসী আৰু সুন্দৰীও নিদ্ৰামগ্ন হৈ পৰিল।

তেতিয়া মোহনে মুৰুলী-বাদন বন্ধ কৰিলে। আৰু প্ৰায় লগে লগেই সকলো-টিয়েই পুনৰ জাগি উঠিল। ৰাক্ষসীয়ে তাৰপৰা পলাবলৈ ধৰোঁতে তাত থকা কুঁৱা এটাৰ ভিতৰত পৰি গ'ল, আৰু ৰাক্ষসীৰ বিকট চিঞৰ-বাখৰ-আৰ্তনাদেৰে বনাঞ্চল কঁপি কঁপি উঠিল।

অবাক হৈ পৰা সকলোটিক মোহনে ক'লে, "ভয় নাই, ৰাক্ষসী আৰু কুঁৱাৰপৰা ওলাই আহিব নোৱাৰে। —কিন্তু আপোনালোক কোন—মই সুধিব পাৰোঁনে? আপোনালোক ক'লৈ যাবলৈ ওলমাইছে সেই কথা—ক'বনে?"

সৈন্যইঁতৰ অধিপতিয়ে মোহনৰ প্ৰশ্নৰ উত্তৰত ক'লে, "মহাশয়, এইবোৰ হ'ল আমাৰ দুৰ্ভাগ্যৰ কথা। আমি হ'লোঁ

সূৰ্য্যগিৰি ৰাজ্যৰ। আমাৰ চুবুৰীয়া মকৰগিৰি ৰাজ্যই আমাৰ ৰাজ্য আক্ৰমণ কৰাত আমি আমাৰ ৰাজকুঁৱৰীক লৈ কোনোবা নিৰাপদ ঠাই বিচাৰি ওলাইছোঁ। মকৰগিৰি আক্ৰমণত আমাৰ হাজাৰ-বিজাৰ সৈন্যৰ মৃত্যু হ'ল। আমাৰ পৰাজয়—সুনিশ্চিত।"

মোহনকৃষ্ণই এওঁলোকৰ আগত আত্ম-পৰিচয় প্ৰদান কৰিলে আৰু ক'লে, "আপোনালোকে মোক আপোনালোকৰ মহাৰাজৰ ওচৰলৈ লৈ ব'লক। মই এই যুদ্ধত বিজয়ী হোৱাৰ উপায় দিম সূৰ্যাগিৰিক।"

সৈন্যাধিপতিয়ে মোহনকৃষ্ণৰ কথাখিনি যুৱৰাণীক বুজাই ক'লে, আৰু এজন

অচিনাকি মানুহৰ কথা মতে—পুনৰ ৰাজধানীলৈ উভতি যোৱাটো — উচিত হ'বনে নহ'ব তাৰ বাবে তেওঁৰপৰা অনুমতি প্ৰাৰ্থনা কৰিলে।

যুৱৰাণীৰপৰা অনুমতি পাই, মোহন-কৃষ্ণক লগত লৈ, সকলোটি পুনৰ ৰাজধানী পালেগৈ, আৰু প্ৰাসাদৰ গুপ্তদ্বাৰেদি গৈ গৈ অতি সন্তৰ্পণে সৈন্যাধিপতিয়ে মহাৰাজ বিজয়বৰ্দ্ধনক মোহনকৃষ্ণই কোৱা কথাখিনি ক'লেগৈ।

মহাৰাজ বিজয়বৰ্দ্ধন চিন্তাগ্ৰস্তভাৱেই বহি আছিল, এই সৈন্যাধিপতিৰ কথা শুনি অধিক চিন্তাগ্ৰস্ত হৈ পৰিল। তেওঁ ভাবি থাকিল: ক'ৰবাৰ কোনোবাই হঠাৎ যুদ্ধ-বিজয়ৰ কথা ক'লেই যুদ্ধত বিজয়লাভ হ'বনে? এক সামান্য নাগৰিকে এই প্ৰালয়ংকৰ যুদ্ধত আমাৰ বিজয়ৰ পথ দেখুৱাবনে?

যি কি নহওক—মহাৰাজে মোহন-কৃষ্ণক তেওঁৰ সমুখলৈ লৈ আহিবলৈ অনুমতি দিলে।

মোহনকৃষ্ণ মহাৰাজৰ আগত উপস্থিত হোৱাৰ লগে লগে মহাৰাজে মোহনক ক'লে, "কোৱাঁ, তোমাৰ কি ক'বলগীয়া আছে, কোৱাঁ।"

যদিও মোহনকৃষ্ণৰ প্ৰধান ক'বলগীয়া বিষয় আছিল—অপূৰ্ব সুন্দৰী যুৱৰাণীক বিবাহৰ প্ৰস্তাৱ, তথাপি, সেই কথাটো এই কথাৰ উত্তৰত ক'ব নোৱাৰিলে।

মোহনে মহাৰাজক ক'লে, "মহাৰাজ, যুদ্ধত অৱশ্যেই আমাৰ বিজয় লাভ হ'ব। কিন্তু তাৰ পৰিৱৰ্তে মোৰ এটি মাথোন মনোবাঞ্ছা পূৰাব লাগিব। অনুগ্ৰহ কৰি বাঞ্ছা পূৰণৰ বাবে মোক বচন দিয়ক।"

ক্ষণমাত্ৰ মৌন হৈ থকাৰ অন্তত মহাৰাজে প্ৰসন্নভাৱে ক'লে, "মোহনকৃষ্ণ, শত্ৰুৰজাৰ ওপৰত তোমাৰ বিজয়লাভ। প্ৰকৃতাৰ্থত — তেতিয়া তুমিয়েই হ'বা সূৰ্য্যগিৰিৰ প্ৰজাৰ প্ৰাণৰক্ষক। গতিকে —মই আমাৰ কুলদেৱতাৰ নামত শপত কাঢ়ি কওঁ: বিজয়লাভৰ অন্তত মই তোমাৰ যিকোনো ইচ্ছা পূৰণ কৰিম।"

পাছ দিনা যেতিয়া পুনৰ যুদ্ধাৰম্ভ

হ'ল, তেতিয়া অশ্বারূঢ় মোহনকৃষ্ণই তাৰ মুৰুলী-ধ্বনিৰে শত্ৰুসৈন্যইঁতক, আৰু লগতে মকৰগিৰি ৰাজ্যৰ শত্ৰু-ৰজা মকৰধ্বজকো নিদ্ৰাভিভূত কৰি পেলালে, আৰু এইদৰে নিদ্ৰামগ্ন মকৰ-ৰজাক বন্দী কৰাৰ অন্তত মকৰ-সৈন্যইঁতক সূৰ্য্যগিৰীয়া সৈন্যই হেলাৰঙে কচুকটা দিলে। মোহনকৃষ্ণৰ বন্দৰস্তমতে সূৰ্য্যগিৰিৰ সৈন্য, সৈন্যাধিপতি সকলে কাণত তুলা ভৰাই দিয়াত নিদ্ৰামগ্ন হোৱাৰপৰা ৰক্ষা পৰিছিল, আৰু অতি সহজতে শত্ৰু-সংহাৰ কৰিব পাৰিছিল।

আৰু সেইদিনাই সন্ধ্যাকালত মহাবীৰ মোহনকৃষ্ণৰ সন্মানাৰ্থে এক বিৰাট সভা পতা হ'ল। এই সভাত—ৰাজ্যৰ সাধাৰণ প্ৰজা, মান্য-গণ্যসকল, আৰু উচ্চপদ ৰাজ-কৰ্মচাৰী সকলৰ সৈতে স্বয়ং মহাৰাজ, মহাৰাণী, যুৱৰাণী, মহামন্ত্ৰী প্ৰমুখো উপস্থিত আছিল। আৰু—

আৰু আছিল সেনাপতি—যিগৰাকীয়ে সম্পূৰ্ণ আছুতীয়া হৈ-থাকি—এইবোৰ কথা-কাণ্ডলৈ নিৰৱে নিমাতে চাই আছিল।

এই মহতী সন্মান-সভাত মহাৰাজে মোহনকৃষ্ণক প্ৰকাশ্যেই সুধিলে, "কোৱাঁ, তোমাৰ অভিলাষ— তোমাৰ একমাত্ৰ মনোবাঞ্ছা কি। মই মোৰ কথাত ৰ'ম, তোমাৰ ইচ্ছা পূৰাম।"

মোহনকৃষ্ণই মহাৰাজক প্ৰণাম কৰিলে আৰু ক'লে, "মহাৰাজ ক্ষমা কৰিব, মোৰ মনোবাঞ্ছাৰ কথা কালিলৈ জানিব পাৰিব।" এই বুলি কৈ, মোহনকৃষ্ণ ৰাজ-অতিথি-গৃহলৈ গুচি গ'ল।

পাছদিনা সূৰ্যোদয়ৰ আগতেই মোহন



সেই মহিমাৱান মুকলী ছুটুকুৰা কৰি ৰাজদুৰ্গৰ গড়খাৱৈলৈ দলিয়াই পেলালে, আৰু সূৰ্য্যগিৰি এৰি নিজ গাঁলৈ বুলি খোজ বঢ়ালে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! মোহনকৃষ্ণই এই কাৰ্য্য কিয় কৰা হ'ল? মহাৰাজে মহাবীৰ মোহনৰ সৈতে নিশ্চয়েই যুৱৰাণীৰ যোৰা পাতি দিলেহেঁতেন—অতি আনন্দৰে—অতি গৰ্বৰে সৈতে। কিন্তু বিজয়লাভৰ পাছত হঠাৎ মোহনকৃষ্ণই কিয় মহিমাৱান মুকলী ছুটুকুৰা কৰি পেলাই দিলে, কিয় যুৱৰাণীৰ নামকে নকৰি সূৰ্য্যগিৰি এৰি গুচি গ'ল—এইবোৰ প্ৰশ্নৰ সহুত্তৰ জানিও যদি মোক নোকোৱা—তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিওফাল হ'ব —এই কথা ধুৰুপ।

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "মোহনকৃষ্ণ টোলত যথেষ্ট বিদ্যা প্ৰাপ্ত হৈছিল ঠিকেই, কিন্তু তাৰ মাজত জীৱনৰ বাস্তৱ দিশৰ জ্ঞান আছিল নিচেই কম। সূৰ্য্যগিৰিৰ যুৱৰাণীক বিবাহ কৰাবৰ ইচ্ছা মোহনৰ মনত তীব্ৰ হৈ উঠিছিল, কিন্তু পাছত মুনিৰ সাৱধানবাণীৰ কথাষাৰ তাৰ মনত পৰিছিল। মুনিয়ে কৈছিল: এই মুকলী—ব্যৱহাৰ কৰোঁতাৰ সামৰ্থ্য অনুসাৰে ব্যৱহাৰ কৰিব লাগিব, নতু, বিপৰীত ফল ফলিব। যেতিয়া যেনেতেনে বিজয়লাভ আৰু সুন্দৰী পত্নীলাভেই আছিল মোহনকৃষ্ণৰ মনোভিলাষ তেতিয়া মহামুনিৰ সতৰ্কবাণী তাৰ মনত পৰা নাছিল। কিন্তু জীৱনৰ প্ৰকৃত ক্ষণ উপস্থিত হোৱামাত্ৰেই সেই সাৱধানবাণী মনত পৰাত মোহনকৃষ্ণই সকলো আশা পৰিহৰি নিৰৱে-নিমাতে গুচি গৈছিল।"

ৰজা বিক্ৰমৰ এই উত্তৰ শুনামাত্ৰেই বেতালে সেই শ'টো লৈ সাউতকৰে গুচি গ'ল, আৰু গৈ গৈ সেই গছজোপাৰ এটা ডালত পুনৰ ওলমি থকা হ'ল। [কল্পিত



মালাবাৰ-সাগৰবালিৰ পম খেদি

কথা : মীৰা নায়াৰ * অঁকা : গোপকুমাৰ

মালাবাৰৰ সাগৰবালিৰ পম খেদি খেদি গৈ থাকিলে আমি কেৰলৰ সুপ্ৰাচীন ঐতিহাসিক বন্দৰ পামগৈ—কোডাংগাল্লুৰ বা ক্ৰ্যাংগান'ৰ, যি-বন্দৰ প্ৰাচীনকালত মুজিৰিছ বুলি জনাজাত আছিল।

মুজিৰিছ বন্দৰৰ যোগেছি—সেই সুপ্ৰাচীনকালৰ ফ'নেছিয়া, মিছৰ, আৰবদেশ, গ্ৰিছ আৰু ৰোম সাম্ৰাজ্যৰ সৈতেও বাণিজ্যিক আদান-প্ৰদান চলিছিল। এওঁলোকে বিধোবিধ বস্ত্ৰ-সম্ভাৰ, ছুৰ্মা, তাম-পিতলৰ সামগ্ৰী আৰু সুৰা লৈ আহিছিল, আৰু তাৰ পৰিৱৰ্তে ইয়াৰপৰা জালুক, মালাবৰীয়া বান্দৰ, বাঘ, ভাটৌ আৰু হস্তী লৈ গৈছিল।

কোডাংগাল্লুৰত প্ৰথম ইহুদি-আগমন—২০০০ বছৰৰো অধিককাল আগৰ কথা। কেৰলত ছেইণ্ট টমাছে খৃষ্টধৰ্মৰ প্ৰৱৰ্তন কৰিছিল। তেওঁ ৫২ খৃষ্টাব্দত কোডাংগাল্লুৰলৈ আহিছিল। কোডাংগাল্লুৰত প্ৰথম মছজিদ নিৰ্মিত হৈছিল ৮০০ খৃষ্টাব্দত, শেহতীয়া চেৰা নৰাবইতৰ অন্যতম চেৰামন পেৰুমলৰ আমোলত। চেৰামন পেৰুমলে ইয়াত ইছলাম প্ৰচাৰ কৰিছিল। অন্যান্য মছজিদৰ দৰে এই মছজিদৰ কোনো গুম্বজ নাছিল। এই মছজিদ মক্কা-মুৱাকৈ সজা হোৱা নাছিল, পূব-মুৱাকৈ সজোৱা হৈছিল এই মছজিদত এক বিৰাট আকাৰৰ পিতলৰ প্ৰদীপ প্ৰজ্বলিত হৈছিল।

প্ৰথম মছজিদ

কোডাংগাল্লুৰৰ ভদ্ৰকালী মন্দিৰ হিন্দুসকলৰ বাবে এক প্ৰসিদ্ধ তীৰ্থস্থান। ভদ্ৰকালী গোসাঁনীক কেৰলৰ সাগৰতটৰ ৰক্ষিকা বুলি গণ্য কৰা হয়।

১৩৪১ চনত ইয়াৰ পেৰিয়াৰ নৈত উঠা বিৰাট ঢলনি পানীয়ে কোডাংগাল্লুৰ বন্দৰ ধ্বংস কৰি ব্যৱহাৰৰ অযোগ্য কৰি পেলাইছিল। এই নৈখনে তাৰ গতিপথ সলাই সমুদ্ৰলৈ গতি কৰিছিল, আৰু তাৰ ফলত কোচি বন্দৰ গঢ় লৈ উঠিছিল।



কোচি বন্দৰক পৃথিৱীৰ অন্যতম সুন্দৰ বন্দৰ বুলি কোৱা হয়। এই বন্দৰক 'আৰব সাগৰৰ ৰাণী' বুলি অভিহিত কৰা হয়। এই বন্দৰ বাৰিষাকালিও অত্যন্ত নিৰাপদ বন্দৰ।

কোচিত ভালেমান দ্বীপ আৰু মূল ভূখণ্ডৰো একাংশ আছে। উইলিংডন দ্বীপ—যি সাগৰবালিৰ-পৰা খান্দি উলিওৱা হৈছে—বোলঘাট্টি দ্বীপ আৰু ভাইপিন দ্বীপ (য'ত চীনদেশী মাছ ধৰা জাল দিগন্তৰেখাত দেখা যায়) হ'ল উল্লেখযোগ্য দ্বীপ।

কুবলাই খানৰ আমোলৰপৰা চীনদেশীয় মাছ ধৰা জালৰ প্ৰচলন হৈছিল। এই জালৰ এমূৰত এটা চাকি থাকে, আৰু এই চাকিৰ পোহৰে মাছবিলাকক আকৰ্ষণ কৰি আনে। এইবিধ জালেৰে মাছ মাৰোঁতে কমেও ছ জনমান জালোৱা লাগে।

ভাৰতত ইউৰোপীয় সুপ্ৰাচীন উপনিবেশ হ'ল কোচি দুৰ্গ।

১৫১০ চনত ইয়াত ছেইণ্ট ফ্ৰান্সিছ গিৰ্জা পৰ্টুগিজসকলে প্ৰতিষ্ঠা কৰিছিল। এহ গিৰ্জা হ'ল ভাৰতত প্ৰতিষ্ঠিত প্ৰাচীনতম ইউৰোপীয় গিৰ্জা। ভাস্কো-ডা-গামা ইয়াত ১৫০৪ চনত লোকান্তৰিত হৈছিল আৰু তেওঁক এই গিৰ্জাত সমাহিত কৰা হৈছিল। গিৰ্জাৰ দক্ষিণভাগত তেওঁৰ সমাধিৰ স্থান অদ্যাপি বিদ্যমান, যদিও ১৫৩৮ চনত তেওঁৰ পুত্ৰই তেওঁৰ মৃতদেহ পৰ্টুগাললৈ লৈ গৈছিল।

ছেইণ্ট ফ্ৰান্সিছ গিৰ্জা

কোচি দুৰ্গৰ দক্ষিণত, মাত্তানচেৰিত, কেৰলীয় ইহুদিসকলৰ বসতি। ভালেমান ইহুদি ইজৰ্যায়েললৈ গুচি যোৱাত কেৰলীয় ইহুদিসকলৰ সংখ্যা যথেষ্ট হ্ৰাসপ্ৰাপ্ত হৈছে। খৃষ্টীয় ৪ৰ্থ শতিকাত মাত্তানচেৰিৰ ইহুদিবসতি প্ৰতিষ্ঠিত হৈছিল। ইয়াতে থকা ইহুদি উপাসনাগৃহ 'পৰদেশী উপাসনাগৃহ' ৪৩০ বছৰৰ আগতে সজা হৈছিল। ১৮ শতিকাৰ মাজভাগত এই উপাসনাগৃহৰ চূড়াত এটা ঘণ্টাঘৰ স্থাপন কৰা হৈছিল।

এই উপাসনাগৃহৰ প্ৰায় গাতে লগা দুমহলীয়া মাত্তানচেৰি ৰাজপ্ৰাসাদ। এই ৰাজপ্ৰাদৰ দেৱালবোৰত **ৰামায়ণ** আৰু **মহাভাৰতৰ** চিত্ৰ অংকিত হৈছিল—যি-চিত্ৰৰাজি আজিও বিদ্যমান। এই চিত্ৰসমূহ আছিল কোচিৰ মহাৰজাৰ পৰ্টুগিজসকলৰ শান্তি উপহাৰ, যি-কোচি-মহাৰাজৰ প্ৰাসাদ পৰ্টুগিজসকলে ধ্বংস কৰিছিল। পিছে—পাছত ডাচলোকসকলে তেওঁলোকৰ দেশৰ শৈলীৰে কোচি-প্ৰাসাদৰ পুনৰ্নিৰ্মাণ কৰি দিছিল।



মাত্তানচেৰিৰ নাৱৰীয়া

© AMRITA BHARATI,
BHARATIYA VIDYA BHAVAN 1996

প্ৰাসাদৰ মজিয়া ক'লা মাৰ্বল্ পাথৰেৰে সজা যেন লাগে, কিন্তু আচলতে নাৰিকলৰ খোলাৰহে সজোৱা। লগতে—এঙাৰ, চূণ, কণী ইত্যাদিও মিহলোৱা। এই অশ্ৰুতপূৰ্ব-অভাৱিত মজিয়া—আজিও একেদৰেই বিদ্যমান।

কোচিৰ সুদূৰ দক্ষিণত কোল্লাম নামৰ ঠাইত অসংখ্য সাগৰখাবৈ আৰু মোহনা পৰিলক্ষিত হয়। এইবোৰৰ মাজত ভেমবান্দ হ্ৰদ কোচিৰপৰা আলাপ্পুজালৈকে বিয়পা আৰু ৭৯ স্কোৱেয়াৰ মাইল দীৰ্ঘ।

এই ঠাইত যি 'সৰ্প-নাও' খেল অনুষ্ঠিত হয়, সেই খেলা অতি বিখ্যাত। অগাষ্টৰপৰা ছেপটিমবাৰ মাহত আলাপ্পুজাৰ মোহনাত সৰ্পনাও-খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। এখন নাৱত ১০০ জনকৈ নাৱৰীয়া থাকে, আৰু তেওঁলোকে 'চন্দন ভাল্লম' বা সৰ্প-নাও'-খেল খেলে ১৩০ ফুট দীঘল ধেনুভিৰীয় আকৃতিৰ নাও দ্ৰুবন্ত গতিৰে বাই। এবাৰ পণ্ডিত জৱহৰলাল নেহৰুৱে এই 'চন্দন ভাল্লম' চাবলৈ আহিছিল, আৰু তাৰ পাছত তেওঁ এই সৰ্প-নাও খেলৰ বাবে ৰূপৰ ট্ৰফিৰ ব্যৱস্থা কৰি দিছিল। এখন নাৱত নেহৰু নিজেও নাৱৰীয়া হৈছিল, আৰু সেইখন নাও প্ৰতিযোগিতাত বিজয়ী হৈছিল!

তাৰ পাছত, দিল্লীলৈ উভতি গৈয়েই তেওঁ এই 'চন্দম ভাল্লম' খেলৰ উন্নতিৰ অৰ্থে বিবিধ ব্যৱস্থাৰ সুবন্দৱস্ত কৰিছিল।

'চন্দন ভাল্লম'
নাও-খেল প্ৰতিযোগিতাৰ
এটি অনুপম দৃশ্য।

সুন্দৰৰ ন-দিগন্ত

ৰতলাম নামৰ ঠাই এডোখৰ আছিল সাগৰপৰীয়া ঠাই, আৰু সেইহে তাত প্ৰায়েই ধুমুহাৰ ধুম-ধুপালনি হৈছিল। আৰু এইবোৰ কাৰণত ৰতলামৰ তথা ৰতলামৰ জমিদাৰৰো প্ৰভুত পৰিমাণৰ ক্ষতি হৈছিল।

কিন্তু এবাৰ যি হ'ল—সেই অৱস্থা আছিল অসহনীয়। পোনতে মেঘে গাজিলে, বিজুলীয়ে চমকিলে, ধুমুহাই বলিলে—আৰু শেহলৈ বৰষুণে যি সঁতা ধৰিলে— তাৰ যেনিবা শেষেই নাই-নহ'ব। সেইবাৰ ৰতলাম ঠাইডোখৰক ঢলনি পানীয়ে একেবাৰে ঢাঁহি-মুহি দিলে।

জমিদাৰ আশোকবৰ্মাদেৱে ৰতলামৰ পুনৰ্গঠনৰ কামত মন দিলে, আৰু তেওঁৰ এই মহৎ কামত গাঁৱৰ ৰাইজেও যথোচিত হাত-উজান দিলে। জমিদাৰে ভাবিছিল যে—পুনৰ্গঠনৰ নামত যোৰা-তাপলি নহয় —আগলৈ যাতে প্ৰকৃতিয়ে এনেকৈ বিধ্বংস কৰিব নোৱাৰে—তাৰ বাবেহে চেষ্টা চলাব লাগিব।

তেতিয়া সেই ঠাইৰ প্ৰখ্যাত জ্যোতিষী এজনে জমিদাৰক ক'লে, "কথা কি জানে —ভূমি, জল, অগ্নী, বায়ু, আৰু আকাশ এই পাঁচটিক পঞ্চভূত বুলি কোৱা হয়। এই পঞ্চভূতৰ অন্যতম বায়ুৰ পুত্ৰ হ'ল হনুমন্ত। মোৰ অনুৰোধ, আমাৰ এই ঠাইত হনুমন্তৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হওক, সেই মূৰ্তি হওক আমাৰ ৰক্ষা-কৱচ।"

জ্যোতিষীৰ কথাত জমিদাৰে ভালেই পালে। তেওঁ হনুমান মূৰ্তি স্থাপন কৰিবৰ বাবে যোগ্য ঠাই এডোখৰো বিচাৰি উলিয়ালে আৰু সেই ঠাইডোখৰত

অৰুণাচল শৰ্মা



বিভিন্ন ফল-ফুলৰ পুলি ৰোপণ কৰিবলৈকো ব্যৱস্থা অৱলম্বন কৰিলে।

ঠাইডোখৰ বৃক্ষ-পুষ্পে শোভাময়ৰূপ ধাৰণ কৰিলে, আৰু দূৰ-দূৰণিৰপৰাও এই ডোখৰ ঠাই চাবলৈ মানুহ-মুনিহ আহিবলৈ ধৰিলে। এতিয়া কেৱল বাকী থাকিল হনুমান-মূৰ্তি স্থাপনৰ কাম।

আৰু কেইসপ্তাহমানৰ অন্তত হনুমান-মূৰ্তিৰ স্থাপনাৰ মুহূৰ্ত সন্নিকট হ'ল। কেৱল এইখন গাঁৱৰে নহয়, দহোখন গাঁৱৰ ৰাইজ এই উপলক্ষ্যে ঢপলিয়াই আহিল। ভালেমান গায়কে হনুমানজীৰ নামত স্বৰচিত গীত গালে, সাধাৰণ ৰাইজে কৰিলে হনুমান-কীৰ্তন। আৰু জমিদাৰ ডাঙৰীয়াই এই উপলক্ষ্যে ক'লে, "আজি ইয়াত সুন্দৰ-কাণ্ডৰ বাতাবৰণ সৃষ্টিহ'ল। আগলৈ, সকলো দৰ্শনাৰ্থীয়ে—যদি পাৰে—লগত ৰামায়ণখনো লৈ আহিব, ইয়াত সুন্দৰ-কাণ্ড গাই-বাই যাব।

ঠিক তেতিয়াই এজনে কান্দি কান্দি কৈ উঠিল, "যি হ'ব, হৈয়েই থাকিব। হোৱাক কোনেও নোহোৱা কৰিব নোৱাৰে। আচলতে ভগৱান হ'ল এক অন্যায়ী-অত্যাচাৰী। ইয়াত সুন্দৰকাণ্ড গালেই হনুমান প্ৰসন্ন হ'ল বুলি ভবাৰ কাৰণ নাই। মই খণ্ডকাব্যৰ ৰূপত সুন্দৰ-কাণ্ড ৰচনা কৰিলোঁ, কিন্তু তাৰে মোৰ ঘৰ-দুৱাৰ ঢলনিয়ে উটুৱাই নিনিয়াকৈ থাকিলনে?" "এই বুলি কৈ কৈ মানুহজনে চিঞৰি থাকিল।

জমিদাৰে মানুহজনক তেওঁৰ ওচৰলৈ মতাই অনালে আৰু ক'লে, "প্ৰকৃতি হ'ল পঞ্চভূতৰ সমাহাৰ। এই পঞ্চভূতৰ অন্যতম হ'ল জল—তথা ঢলনি-পানী। এই প্ৰলয় কোনেও ৰোধ কৰিব পাৰেনে? আপুনি যদি প্ৰকৃততেই ভক্তিযুক্তমনেৰে সুন্দৰ-কাণ্ড ৰচিলে—সেয়া আপোনাৰ ব্যক্তিগত লোকচান নহয়। সুন্দৰকাণ্ড ৰচনাৰ বাবে মই আপোনাক যথেষ্ট সুবিধা প্ৰদান কৰিম। পঞ্চভূতৰ অন্যতম বায়ু-পুত্ৰ হনুমানজীৰ কথা এনেকৈ ৰচক—যাৰে মোৰ—তথা ৰাইজৰো পৰিতৃপ্তি হয়।"

জমিদাৰৰ কথাত লাজ পাই সেই

মানুহজনে ক'লে, "মই যে এজন কবি— সেই কথা বিস্মৃত হৈ আছিলোঁ। মই সুন্দৰ-কাণ্ড ৰচনাও হেৰুৱালোঁ, আৰু— এই দুখতে মই ভগৱানক নিন্দিলোঁ। মোক ক্ষমা কৰক। এই বন মধুবনৰ সমান হওক।"

তেতিয়া এই অনুষ্ঠানৰ পণ্ডিত এগৰাকীয়ে কৈ উঠিল, "বাহ্—বাহ্! হে কবি-ৰাজ, আপোনাৰ বন-বিশেষণ আপোনাৰেই যোগ্য মুখৰ ভাষা। আপুনি যে আমাৰ ৰতলাম অঞ্চলৰ এগৰাকী কবি-নাগৰিক, সেই কথাত আমি গৰ্বিত।"

তাৰ পাছত কবিয়ে সমৱেত সমজুৱাক ক'লে, "পঞ্চভূতৰ প্ৰথম হ'ল ভূমি। তাৰ পাছত জল, তৃতীয় হ'ল অগ্নি, চতুৰ্থ বায়ু আৰু পঞ্চম হ'ল আকাশ। চতুৰ্থ—বায়ু-পুত্ৰ হনুমন্ত। দ্বিতীয় আৰু পঞ্চমভূতৰ মাজত আছে সমুদ্ৰ-জল, ভূমি আৰু আকাশৰ মাজেদি উৰি উৰি, লংকা পাইছিলগৈ। প্ৰথম ভূতৰ সন্তান সুপুত্ৰী সীতাক সান্ত্বনা প্ৰদান কৰি, তৃতীয় ভূত বা অগ্নিৰ সহায়তাৰে লংকা দহন কৰি, পুনৰ ভূমি আৰু আকাশৰ মাজেদি উৰি উৰি মৰ্কট-ৰাজ বালীৰ মধুবনৰ দৰেই এই বনত হনুমানজীৰ নিবাস হওক।"

মহাকবিৰ মধুশ্ৰাৱী কথাখিনি শুনি সমজুৱাই হাত-চাপৰিৰে তেওঁলৈ আদৰণি জনালে। জমিদাৰ ডাঙৰীয়াই সেই মানুহজনক ক'লে, "হে মহাকবি, সেই মাৰুতিয়েই আপোনাৰ মুখেদি সুন্দৰকাণ্ডৰ সুন্দৰৰ প্ৰশংসা কৰোৱালে। ৰাজ্য লয় পায়, ৰজা বিস্মৃত হয়; কিন্তু মহাকাব্য শাশ্বত। আৰু আজিৰপৰা আপোনাৰ নাম হওক — মাৰুতি-কবি। আপুনি পুনৰ সুন্দৰকাণ্ড ৰচি সুন্দৰৰ নব-দিগন্ত সৃষ্টি কৰি আপোনাৰ যশ বৃদ্ধি কৰক।"

মাৰুতিক-বিয়ে সুন্দৰকাণ্ড পুনৰ ৰচনা কৰি সৰ্ববাইজৰ শলাগৰ পাত্ৰ হৈছিল আৰু তেওঁ প্ৰকৃততেই সুন্দৰৰ কৃপাদৃষ্টি লাভ কৰিছিল।



পৰোপকাৰৰ পথ

দমপুৰীৰ টোলত অধ্যয়ন কৰাৰ বাবে বহু দূৰ-দূৰৈৰপৰা ছাত্ৰ তথা শিষ্যৰ আগমন হৈছিল, আৰু শিক্ষাৰ্থীসকলৰ বুজন সংখ্যকেই অধ্যয়নৰ সমাপ্তিৰ পাছত ৰাজ-দৰবাৰত বা ৰজাৰ অন্যান্য কমাতো নিযুক্তিলাভ কৰিছিল।

এদিন গুৰু বিদ্যানন্দই ছাত্ৰৰ কিছুমানক ক'লে যে—পৰোপকাৰতকৈ ডাঙৰ গুণ জগতত নাই। যেনে—বাট-পথ পাৰ হ'বলৈ ৰৈ থকা বৃদ্ধসকলক বাট পাৰ হোৱাত সহায় কৰাটো এক মহা উপকাৰৰ কাৰ্য্য।

পাছদিনা চাৰিজনে ছাত্ৰে চেৰ পলমকৈ টোললৈ অহাত গুৰুৱে সুধিলে যে সিহঁতৰ ইমান বিলম্ব হ'ল কিয়?

ছাত্ৰ চাৰিজনে গুৰুক ক'লে, "গুৰুদেৱ, আমি ইয়ালৈ আহি থাকোঁতে বাটৰ এদাঁতিত এজন বুঢ়াক ৰৈ থকা দেখি তেওঁক ধৰি পথ পাৰ কৰাতহে আমাৰ পলম হ'ল।"

"বৰ আনন্দৰ কথা। কিন্তু—বৃদ্ধ মানুহজনক বাটৰ সিপাৰ কৰোঁতে তোমালোকৰ এজনেই দেখোন যথেষ্ট আছিল। চাৰিজনেনো কি কৰিছিলা?"

"আমি পাৰ কৰিম, কিন্তু আঁকোগোজীয়া বুঢ়াই বাট পাৰ নহ'বই নহ'ব বুলি যেতিয়া জিদ কৰিলে—তেতিয়া আমি চাৰিও মিলি দাংকোলাকৈ বুঢ়াক সিপাৰলৈ থৈ আহিলোঁ। বুঢ়াই 'নালাগে' বুলিলেই আমি পৰোপকাৰ নকৰিমনে?"

পৰোপকাৰৰ এনে অভিনৱ পথৰ কথা শুনি গুৰুৱে শিষ্য চাৰিটাক গৰু দেখাদি দেখি থাকিল।

চান্দমামা
সোণালী দুৱাৰ-৫
ভয়াবহ চিকাৰ !
প্ৰাগৈতিহাসিক মানুহ গ্ৰুৰে তাৰ শিলৰ অস্ত্ৰ দলিয়াই মাৰিলে...
লক্ষ্যভ্ৰষ্ট হ'ল !
তথাপি নেৰিম !
এই কাহিনীত কি ভুল আছে ?

সোণালী দুৱাৰৰ প্ৰশ্নাৱলী



১. বিগত শত শত বছৰপৰা স্কটল্যাণ্ডৰ এটা হ্ৰদত থকা বুলি ভবা এই ভয়ঙ্কৰ প্ৰাণীটোক চাবলৈ চেষ্টা কৰিছে পৃথিৱীৰ অগণিত মানুহে! প্ৰাণীটোৰ নাম কি?

২. তিব্বতৰ মানুহে, আৰু হিমালয়-অভিযাত্ৰীসকলে আধা-মানুহ আধা-জন্তু এটা প্ৰাণীক বৰফৰ ওপৰত ঘূৰি ফুৰা দেখা পোৱা বুলি কয়। এই প্ৰাণীটোৰ নাম কি?

৩. অ্যাটলান্টিক মহাসমুদ্ৰৰ বিশেষ ঠাই এডোখৰলৈ জাহাজ বা উৰাজাহাজ গ'লেই হেনো নেহোৱা হৈ যায়। সেই ঠাইডোখৰৰ নাম কি?

৪. চৰাইৰ জঁকা ইমান লঘু ওজন হয় কিয় ?

৫. মানুহৰ ডিঙিত সাতডাল হাড় আছে। জিৰাফৰ ডিঙিতনো কিমান ?

৬. ১৯৩৩ চনত এডগাৰ ওৱালেছৰ উপন্যাসৰ ভেটিত এখন বিখ্যাত বোলছবি নিৰ্মিত হৈছিল, বোলছবিত এটা ভয়ংকৰ গৰিলাই নিউইয়ৰ্ক নগৰখন ধ্বংস কৰিছিল। বোলছবিখনৰ নাম কি ?

৭. আটাইতকৈ ডাঙৰ কণী দিয়া চৰাইৰ নাম কি ?

৮. হাঙৰবোৰ সদায় চলমান। কেতিয়ানো হাঙৰে বৈ দিয়ে ?

ডায়নোছোৰ বনাবানে ?

এই ডায়নোছোৰৰ চিত্ৰখন ডাঙৰ কৰি লোৱা (আনকি ফটো উঠাই ডাঙৰ কৰিব পাৰা)। চিত্ৰত থকা ভাঁজবোৰ আৰু বিন্দু বিন্দু দাগবোৰলৈ মন কৰাঁ। তাৰ পাছত এই চিত্ৰত ৰং সানি লোৱা। এতিয়া চিত্ৰখন ভাঁজ কৰি ল'বৰ হ'ল। ভাঁজ কৰাৰ আগতে কেঁচিৰ আগেৰে কিঞ্চিত ঠাই মুকলি কৰি লোৱা—বিন্দুবিলাকৰ কাষে কাষে। এতিয়া …… থকা লাইনৰ সহায়ত ভাঁজ কৰাঁ। ভাঁজ কৰাৰ পাছতো বিন্দুবোৰ দেখা পোৱা যাব। কিন্তু লাইনবোৰ একেবাৰে দেখা নোপোৱাকৈ (……) কাষে কাষে ভাঁজ কৰা। তাৰ পাছত দুই আধা এঠাৰে যোৰা লগাই দিলেই—ডায়নোছোৰ ওলাল !

২৮

মৈত্রেয় প্রস্থান কৰাৰ পাছত মহাৰাজ ধৃতৰাষ্ট্ৰই বিদুৰৰপৰা কাম্যকবনৰাক্ষস কিস্মীৰৰ বধৰ বিৱৰণ জানিব খুজিলে আৰু বিদুৰে ক'লে :

বনবাসৰ বাবে পৈ গৈ পাণ্ডৱসকলে তিনি দিনৰ যাত্ৰাৰ অন্তত কাম্যকবনৰ প্ৰান্ত পালেগৈ। তেতিয়া মধ্যৰাত্ৰি। হঠাৎ কাম্যকবন ভেদি এক প্ৰকাণ্ড-প্ৰচণ্ড ৰাক্ষস ওলাল। এই ৰাক্ষসৰ চক্ষুদ্বয় আছিল অগ্নিগোলকৰ দৰে, কিচকিচকৰে ক'লা দেহ, আৰু তাৰ নাসাৰন্ধ্ৰৰ নিঃশ্বাস-প্ৰশ্বাসতে যেনিবা ধুমুহা বলিছিল।

বনৰ ভিতৰলৈ গমনোদ্যত পাণ্ডৱ-সকলৰ বাট ৰাক্ষসে তাৰ বিৰাট দীঘল হাত মেলি পাণ্ডৱসকলক ৰখালে। তাৰ সিখন হাতত আছিল এটা বিৰাট জোঁৰ।

ধৰ্মৰাজে ৰাক্ষসটোক সুধিলে, "তুমি কোন ? এই বনত তোমাক কি লাগে ?"

ৰাক্ষসে ক'লে, "মই বকাসুৰৰ ভ্ৰাতৃ। মোৰ নাম কিস্মীৰ। কাম্যকবন মোৰেই অধীন। ইয়ালৈ ভুলক্ৰমেও সোমোৱা মনুষ্যইঁতক মই ধৰি ধৰি খাওঁ।"

ধৰ্মৰাজে ক'লে, "শুনা, আমি হ'লোঁ পাণ্ডৱ। মোৰ নাম ধৰ্মৰাজ; আৰু এওঁলোক মোৰ ভাই। আমি প্ৰতিজ্ঞাৱদ্ধ-নিয়মৱদ্ধ হৈ বনবাস কৰিবলৈ আহিছোঁ।"

কিস্মীৰে ক'লে "বৰ ভাল কৰিছা। তোমালোক পাণ্ডৱ ? তাৰ মানে—সেইটো ভীমনে কি ? ভীমক সংহাৰ কৰাৰ ইচ্ছা মোৰ বহুদিনীয়া ইচ্ছা। মোৰ মিত্ৰ হিড়িম্বক বধি ভীমে হিড়িম্বাক বিয়া কৰাইছিল। এতিয়া এই বনেই হ'ব তাৰ

'সাম্ব-বধ-কথা'



যমালয়। মই ভীমক বধি তাৰ তেজ পি-খাম, তেতিয়াহে অন্যায়ৰ প্ৰতিকাৰ কৰিম, তেহে ৰাক্ষস জাতিৰ হৈ শান্তি পাম।"

ৰাক্ষস কিম্মীৰৰ দৰ্প-কথা শুনি ধৰ্মৰাজ ক্ৰুদ্ধ হ'ল, আৰু তেওঁ কিম্মীৰক ডাবি মাৰি ক'লে "চুপ থাক, অধৰমী!"

আৰু ভীমে লগে লগে এজোপা বৃক্ষ উৎপাৰি লৈ কিম্মীৰক এসেকা দিবলৈ সাজু হ'ল, অৰ্জুনেও ধনুত বান যুৰিলে।

ভীমে অৰ্জুনক ক'লে, "ৰ'বা, ময়েই ইয়াক হেলাৰঙে বধিব পাৰিম।" এই বুলি কৈয়েই ভীমে সেই বিৰাট বৃক্ষজোপা কিম্মীৰলৈ দলিয়াই মাৰিলে, আৰু কিম্মীৰেও ভীমলৈ দলিয়াই মাৰিলে জ্বলন্ত জোঁৰডাল। তাৰ পাছত লাগিল তয়ামুয়া।

বহু সময় ধৰি কিম্মীৰৰ সৈতে ভীমৰ যুদ্ধ-চলি থাকিল, আৰু এসময়ত কিম্মীৰ যেতিয়া নিস্তেজ হৈ আহিল, তেতিয়া ভীমে কিম্মীৰৰ দুই ঠেঙত ধৰি টান মাৰি তললৈ বগৰাই পেলালে আৰু চকুৰ পচাৰতে তাৰ বুকুৰ ওপৰত উঠি যিবোৰ গোৰ শোধালে—সেই বজ্ৰগোৰ সহিব নোৱাৰি তেজ বঁতিয়াই বঁতিয়াই কিম্মীৰ মৰিল।

তেতিয়া ভীমে মৃত ৰাক্ষস কিম্মীৰৰ দেহটো এটা শিলগুটিৰ দৰে বহু দূৰলৈ দলিয়াই পেলালে।

কিম্মীৰ বধৰ এহি বৃত্তান্ত শুনি ধৃতৰাষ্ট্ৰ নিশ্চুপ হৈ তলমূৰ হৈ থাকিল। তেওঁ অতিপাত চিন্তিত হৈ উঠিল

ইপিনে — যা দ ৱ স ক লে, আৰু পাঞ্চালীয়ে পাণ্ডৱসকলৰ বনবাসৰ সম্বাদ পাই কৃষ্ণকো লগত লৈ তেওঁলোকক চাবলৈ আহিল।

কথাই কথাই কৃষ্ণই ক'লে, পাপী দুৰ্য্যোধন, দুঃশাসন, শকুনি, কৰ্ণ আদিৰ ৰক্ত ভূমিত সিঞ্চিত হ'বৰ হৈছে। এইবোৰ ধৰ্মহীনক বধ কৰাটোৱেই উত্তম ধৰ্ম। আটাইবোৰক একেলগে সংহাৰ কৰাৰ ধৰ্মৰাজ্যৰ প্ৰতিষ্ঠা কৰা হ'ব।"

কৃষ্ণৰ কথাত দ্ৰৌপদীয়ে চকুলোৰ ধাৰ বোৱাবলৈ ধৰিলে।

কৃষ্ণই দ্ৰৌপদীক সান্ত্বনা প্ৰদানি

ক'লে, "দ্ৰৌপদী, তোমাৰ অপমানকাৰী-হঁতে দণ্ড পাব—এই কথা ধ্ৰুৱ। সিহঁতৰ পত্নীহঁত তোমাতোকৈ শোকগ্ৰস্তা হ'ব, দুখ-সাগৰত উটি-ভাহি থাকিব। আৰু—আগলৈ পাণ্ডৱসকলেই হ'ব ৰাজাধিৰাজ আৰু তুমি হ'বা মহাৰাণী।"

অৰ্জুন, ধৃষ্টদ্যুম্ন প্ৰমুখয়ো দ্ৰৌপদীক সান্ত্বনা প্ৰদানিলে।

কৃষ্ণই ধৰ্মৰাজক ক'লে, "মই তেতিয়া দ্বাৰকাত থকাহেঁতেন—নিশ্চয় মায়াবী পাশতি প্ৰত্যক্ষ কৰিলোহেঁতেনগৈ, আৰু তোমালোকক সেই বিষয়ে সহায়ো কৰিলোহেঁতেন। মই তালৈ উপস্থিত হ'ব পৰাহেঁতেন, জুৱা-খেল যেনেতেনে বন্ধ কৰিলেহেঁতেন। দুৰ্য্যোধনে আপত্তি দৰ্শোৱাহেঁতেন তাক শাস্তি বিহিলো-হেঁতেন। মই যেতিয়া দ্বাৰকা পালোঁগৈ, তেতিয়া যুযুধানে মোক সকলো কৰা কৈছিল। আৰু শুনি—লগে লগে মই ইয়ালৈ ঢপলিয়াই আহিলোঁ।"

ধৰ্মৰাজে কৃষ্ণক সুধিলে, "তুমি সেইদিনা দ্বাৰকাত নাছিলা কিয়? ক'লৈ গৈছিলানো?"

"ৰাজসূয় যজ্ঞকালত মই শিশুপালক বধিছিলোঁযে—তাৰ প্ৰতিশোধ ল'ব তাৰ ভ্ৰাতৃ সাল্বই মোৰ বিৰুদ্ধে যুঁজিবলৈ গৰ্জি আছিল। মই সাল্বৰ সৌভনগৰ আক্ৰমণ কৰিবলৈ গৈছিলোঁ।" কৃষ্ণই সেই ঘটনাৰ কথা যি ক'লে, তাৰ সাৰমৰ্ম হ'ল:

শিশুপাল-বধ সম্বাদ পায়েই সাল্বই সৌভ নামৰ ৰথোপৰি আৰূঢ় হৈ দ্বাৰকা আক্ৰমণ কৰিলেগৈ। তেতিয়া কৃষ্ণ



আছিল-ইন্দ্ৰপ্ৰস্থত। তিমানতে সাম্বৰ নগৰ আগুৰি ধৰি উগ্ৰসেনে যুদ্ধ কৰিবলৈ সাজু হৈছে, গদ, সাম্ব আদিক যুদ্ধক্ষেত্ৰলৈ প্ৰেৰণ কৰিছে। সেই যুদ্ধত প্ৰদ্যুম্নই অদ্ভুত পৰাক্ৰম দেখুৱাইছিল, আৰু সাম্বৰ সৈন্যবাহিনীক ছিন্নভিন্ন কৰিছিল।

তিমানতে কৃষ্ণও দ্বাৰকালৈ উপস্থিত হৈছিলগৈ। ঘটনাৰ কথা শুনি কৃষ্ণই ক'লে যে—সাম্বক বধিহে তেওঁ দ্বাৰকালৈ প্ৰবেশ কৰিব। তেওঁ যুদ্ধলৈ বুলি তৎক্ষণাৎ ওলাই পৰিল।

কৃষ্ণ যুদ্ধলৈ ওলোৱাৰ কথা জানি সাম্ব ৰথত উঠি পলাবলৈ ধৰিলে, আৰু কৃষ্ণও সাম্বক খেদি গৈ থাকিল।

সাম্বই তাৰ ৰথ সমুদ্ৰৰ ওপৰত স্থিৰ ভাবে ৰাখি তাৰপৰা কৃষ্ণক যুদ্ধলৈ আহ্বান জনালে।

কৃষ্ণই অসংখ্য বাণ নিক্ষেপ কৰিলে, কিন্তু সেইবোৰ বাণে সাম্বক স্পৰ্শও কৰিব নোৱাৰিলে; কিন্তু সাম্বৰ অনুচৰবোৰ নিহত হৈ থাকিল। সাম্বই ৰথত থাকি মায়াবী যুদ্ধৰ যোগেদি কেনেবাকৈ ৰক্ষা পৰিলে, আৰু কৃষ্ণৰ ৰথৰ সাৰথি দাৰুকৰো ধাৰণা হ'ল যে—এই বিষম যুদ্ধত কৃষ্ণ বিজয়ী হ'ব নোৱাৰিব।

এনেহেন দাৰুণ পৰিস্থিতিত কৃতবৰ্মাই পঠোৱা এজন দূত তালৈ আহিল, আৰু সেই দূতে কৃষ্ণক এই সমিচাৰ দিলে যে—সাম্বই মায়াবলেৰে অদৃশ্য হৈ থাকি দ্বাৰকালৈ প্ৰবেশ কৰিলে। আৰু কৃষ্ণৰ পিতৃ বসুদেৱক বধিলে।

কিন্তু এই সম্বাদ বিশ্বাস কৰিবনে নকৰিব— কৃষ্ণই ভাবি ভাবি যেতিয়া আকুল হৈ উঠিল, তেতিয়া আকাশ মাৰ্গৰপৰা পিতৃ বসুদেৱৰ মৃতদেহ তললৈ পতিত হোৱাৰ দৃশ্য কৃষ্ণৰ চকুত পৰিল। আৰু এই ঘটনাই কৃষ্ণক ভগ্ন-হৃদয় কৰি তুলিলে। তেওঁৰ হাতৰপৰা ধনুষ বাগৰি পৰিল, আৰু কৃষ্ণৰ সৈন্যবাহিনীৰ মাজত হাহাকাৰ উঠিল।

সাম্বৰ মায়াজালৰ কথা জ্ঞাত হোৱাত কৃষ্ণৰ কিছু সময় লাগিল, কিন্তু জনাৰ পাছতেই কৃষ্ণই চক্ৰ-যুধ প্ৰয়োগ কৰিলে

আৰু সাত্বক নিমিষতে বধিলে।

যুদ্ধত বিজয়ী হৈ যেতিয়া কৃষ্ণ দ্বাৰকালৈ আহিল, ঠিক তেতিয়াই পাণ্ডৱ-সকলৰ দুখপ্ৰদ সম্বাদ পালে, আৰু তেওঁ দ্বাৰকাত মুহূৰ্তমানো নবৈ পাণ্ডৱসকলৰ কাষ পালেগৈ।

তাৰ পাছত এসময়ত যাদৱসকল, পাঞ্চাল, কৈকেয় আদি উভতি গ'ল।

বনবাসত থকা অৱস্থাতে পাণ্ডৱসকলে আগন্তুক যুদ্ধৰ কথা চিন্তি থাকিল।

এদিন ধৰ্মৰাজে অৰ্জুনক ক'লে, "অৰ্জুন, বৃত্ৰাসুৰৰ ভয়ত বিভ্ৰান্ত-বিব্ৰত হৈ দেৱতাসকলে নিজ-নিজ অস্ত্ৰ-শস্ত্ৰ ইন্দ্ৰৰ ওচৰত সুৰক্ষিত ৰাখিছিল। ব্যাসমুনিয়ে মোক প্ৰতিস্মৃতি নামৰ বিদ্যা শিকাইছিল। তুমি সেই বিদ্যাৰে ইন্দ্ৰক প্ৰসন্ন কৰি সেইবোৰ অস্ত্ৰ-শস্ত্ৰ পাবলৈ চেষ্টা দিয়া। আগন্তুক যুদ্ধত কৌৰৱৰ হৈ ভীষ্ম, দ্ৰোণ, কৰ্ণ প্ৰমুখ মহাবীৰে যুদ্ধ কৰিব। এই মহাবীৰসকলৰ সন্মুখৰ গৈ কেনেকৈ থোৰা যাব— সেই চিন্তাত মই অস্থিৰ হৈ উঠিছিলোঁ। তেনেতে— অকস্মাৎ ব্যাস মহামুনিয়ে মোক দেখা দিলে, আৰু সেই প্ৰতিস্মৃতি-বিদ্যা মোক শিকাই দিলে। এই বিদ্যা তোমাক প্ৰদান কৰাৰ কথা তেওঁৱেই মোক কৈছিল। তুমি এই বিদ্যা মোৰপৰা শিকি লোৱাঁ আৰু আজিৰে-পৰাই উত্তৰদিশলৈ গৈ থাকাঁ।"

অৰ্জুনে ধৰ্মৰাজৰপৰা প্ৰতিস্মৃতি-বিদ্যা গ্ৰহণ কৰিলে, অগ্নিৰ আৰাধনা কৰিলে আৰু প্ৰদক্ষিণো কৰিলে। কৱচ, গাণ্ডীৱ, অক্ষয়তূণীৰ আদি অস্ত্ৰ ল'লে, আৰু তাৰ পাছত ধৌম্য, ধৰ্মৰাজ প্ৰমুখক প্ৰণাম কৰি ওলাই পৰিল।

গৈ থকা অৰ্জুনৰ লগে লগে দ্ৰৌপদী কিছুদূৰলৈ আগুৱাই গৈ থাকিল, আৰু দ্ৰৌপদীয়ে অৰ্জুনক ক'লে, "তোমাৰ অভিযান সফল হওক। তোমাৰ এই অনুপস্থিতিয়ে আমাক দুখ দিব, তথাপি কৰ্তব্যই সুখ-দুখ নামানে। আমি তোমাৰ বাট চাই ৰৈ থাকিম। আমাৰ সকলো দুখ-কষ্ট তোমাতেই আধাৰিত। তুমি নিৰ্বিঘ্নতাৰে সফল হৈ উভতি আহিবা।"

Sankar

অর্জুন অৰণ্যৰ মাজেদি গৈ থাকিল। আৰু গৈ গৈ হিমালয়, গন্ধমাদন আদি মহাপৰ্বত অতিক্রম করি সুৰম্য অৰণ্য ইন্দ্রকীলাদ্রি পালেগৈ।

আৰু সেই ইন্দ্রকীলাদ্রিৰ বাটেদি গৈ থাকোঁতে অকস্মাৎ অর্জুনৰ কাণত পৰিল : "ৰ'বা!"

অর্জুনে ইফালে-সিফালে চাই এঠাই তপস্বী এজনক দেখা পালে আৰু এখোজ-দুখোজকৈ গৈ গৈ তেওঁৰ সমুখতে স্থিৰ হৈ ৰৈ দিলে।

"পুত্ৰ, তুমিনো কোন? তুমি যোদ্ধাৰ দৰে কৰচাদি পৰিহিত হৈ আহিছা যে— ইয়াতনো সেইবোৰৰ আৰশ্যকতা কি? তোমাৰ ওচৰত থকা অস্ত্ৰ-শস্ত্ৰবোৰ দূৰলৈ দলিয়াই পেলাই দিয়া।" তপস্বীয়ে অর্জুনক ক'লে।

কিন্তু অর্জুনে তপস্বীৰ কথা মান্য নকৰাত তপস্বীয়ে পুনৰ ক'লে, "পুত্ৰ, তোমাৰ দৃঢ়তাৰ মই শলাগ লৈছোঁ। কোৱাঁ, তোমাক কি বৰ লাগে। মই ইন্দ্ৰ, তোমাক মই তোমাৰ প্ৰাৰ্থিত যিকোনো বৰ দিম।"

অর্জুনে ইন্দ্ৰক সাষ্টাংগে প্ৰণাম কৰিলে, আৰু নম্ৰতাৰে ক'লে, "হে দেৱৰাজ! মোক দিব্যাস্ত্ৰ প্ৰদান কৰক।"

ইন্দ্ৰই ক'লে, "দিব্যাস্ত্ৰৰ আৰশ্যকতা কি—? তাতকৈ মই তোমাক পুণ্য-লোক প্ৰদান কৰিম, তাত নিশ্চিন্ত শান্ত জীৱন যাপি থাকিবা।"

"মোৰ ভ্ৰাতৃসকল বনবাসী, আৰু মইহেনে নিঃচিন্ত শান্ত জীৱন যাপিম?" এই বুলি কৈ, অর্জুনে ইন্দ্ৰক সকলো কথা পূৰ্ণৰূপে বিৱৰিলে।

তেতিয়া ইন্দ্ৰই ক'লে, "তোমাৰ আদৰ্শৰ মই শলাগ লওঁ। যি কি নহওক তোমাৰ দিব্যাস্ত্ৰ প্ৰাপ্তিৰ ইচ্ছা মই পূৰাম, কিন্তু তুমি তাৰ আগতে দেৱাদিদেৱ মহাদেৱক দৰ্শন কৰি আহাঁগৈ।" এই বুলি কৈয়েই ইন্দ্ৰ অদৃশ্য হ'ল। [আগলৈ

দৃষ্টিহীনৰ সৌন্দৰ্য্য-দৰ্শন

মহীধৰ দৃষ্টিহীন। আৰু সেইহে—ঘৈণীয়েকৰ মৃত্যুৰ পাছত দৃষ্টিহীন মহীধৰক চোৱা-চিঁতাৰ ভাৰ ল'লে মহীধৰৰ ল'ৰা তিনিজনে।

এদিন মহীধৰৰ ঘৰলৈ এজন চিত্ৰকাৰ আহিল। চিত্ৰকাৰে এগৰাকী সুন্দৰী তিৰোতাৰ চিত্ৰ আঁকিব বুলি স্থিৰ কৰিলে আৰু মহীধৰৰ বোৱাৰী তিনিওজনীলৈ তীক্ষ্ণ দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিবলৈ ধৰিলে। কিন্তু—এই তিনিজনীৰ মাজত কোনজনী যে আন দুজনীতকৈ ধুনীয়া—তাৰ পৰিমাপ কৰিব নোৱাৰিলে।

পাছদিনা—এই বিষয়ে চিত্ৰকাৰে বোৱাৰী তিনিজনীক বেলেগ বেলেগ ভাবে সুধিলে—কিন্তু সমস্যাৰ সমাধান নহ'ল। তাৰ পাছত ল'ৰাকেইজনকো সুধিলে যে কোনজনী আটাইতকৈ ধুনীয়া, কিন্তু ল'ৰাকেইজনেও মিচিক-মাচাককৈ হাঁহিলেহে মাথোন।

সেই ৰাতি চিত্ৰকাৰক শুবলৈ দিয়া হ'ল দৃষ্টিহীন মহীধৰৰ কাষতে এখন বেলেগ পালেঙত। ৰাতিৰ পৰতে - ইকথা-সিকথাৰ মাজত এইটি কথা চিত্ৰকাৰে দৃষ্টিহীন মহীধৰকো সুধিলে, আৰু মহীধৰে অসংকোচ ভাবেৰে ক'লে, "মোৰ দ্বিতীয় বোৱাৰীজনীয়েই প্ৰকৃত সৌন্দৰ্য্যময়ী।"

চিত্ৰকাৰে আচৰিত মানি মহীধৰক সুধিলে যে মহীধৰৰ এই কথাৰ প্ৰত্যক্ষ প্ৰমাণ কি।

মহীধৰে ক'লে, "সৌন্দৰ্য্য—দুবিধ। বাহিৰা সৌন্দৰ্য্য, আৰু অন্তৰৰ সৌন্দৰ্য্য। অন্তৰৰ সৌন্দৰ্য্যয়েই যে প্ৰকৃত সৌন্দৰ্য্য—সেই কথা দৃষ্টিৱানসকলে অনুভৱ কৰিব নোৱাৰে, সেই কথা অনুভৱ কৰিব পাৰে কেৱল দৃষ্টিহীনসকলেহে।"

দৃষ্টিহীনৰ সৌন্দৰ্য্য-দৰ্শনৰ ব্যাখ্যাত চিত্ৰকাৰ অতি পৰিতৃপ্ত হ'ল. আৰু পাছ দিনা তেওঁ সেইজনীৰ অন্তৰ্নিহিত সৌন্দৰ্য্যৰ এক মহৎ চিত্ৰ আঁকি উলিয়ালে।

চাঁদমামা
ক্রোড়পত্ৰ-৯৫

ভাৰতৰ বৃক্ষৰাজি

শিৰীষ

আমাৰ সুপ্ৰাচীনকালৰ কবিসকলে শিৰীষ বৃক্ষক বৰ ভাল পাইছিল। মহাকবি কালিদাসে তেওঁৰ ৰচিত 'অভিজ্ঞান-শকুন্তলম'ত কণ্ব মুনিৰ আশ্ৰমত শকুন্তলাই শিৰীষৰ পুষ্পেৰে কেশদাম সজাইছিল। তুলসীদাসে তেওঁৰ ৰচিত 'ৰামচৰিতমানস'ত ৰামচন্দ্ৰৰ অন্তৰক শিৰীষ পুষ্পৰ কোমল পাহিৰ সৈতে তুলনা কৰিছিল। আমাৰ দেশত ভালেমান দিন বসবাসকাৰী ৰুডিয়াৰ্ড কিপলিঙে শিৰীষৰ ডালত বহি মধুৰ মাত মাতি থকা কুলিচৰাইৰ প্ৰশংসাত পঞ্চমুখ হৈছিল। ইংৰাজসকলে আমাৰ শিৰীষ বৃক্ষক 'প্যাৰট ট্ৰি', 'উমেন্স টাং' আদি বিশেষণেৰেও ভূষিত কৰিছে।



শিৰীষ সাধাৰণত বনত ওপজে আৰু ওখ হয়। সমগ্ৰ ভাৰতত শিৰীষ বৃক্ষ পৰিলক্ষিত হয়, যদিও—পশ্চিমবংগ, ছোট নাগপুৰ, আন্দামান আদি ঠাইত এই বৃক্ষ এই বৃক্ষ অধিক ওপজে। ছিঁৰিলী ছিৰিলী পাতৰে এই বৃক্ষ অতি মনোহৰ।

মাৰ্চ-এপ্ৰিলত শিৰীষৰ ফুল হয়, ফুলৰ বৰণ অতি কোমল-বগাবিধৰ। চামেলী ফুলৰ সুগন্ধ শিৰীষ ফুলতো বিদ্যমান। অকটোবাৰ-নভেম্বাৰ মাহত শিৰীষ বৃক্ষ পাত সৰি লঠা হৈ পৰে আৰু এপ্ৰিলত পুনৰ কুঁহিপাত মেলে। আৰু অগাস্ট-ছেপটিমবাৰত ফল ধৰে আৰু পকে।

শিৰীষৰ কাঠ অতি টান আৰু মজবুত। গাড়ীৰ চকা, আৰু কৃষিকাৰ্য্যৰ বিভিন্ন আহিলা-পাতি তৈয়াৰ কৰা হয় শিৰীষৰ কাঠেৰে।

হিন্দী, অসমীয়া, বাংলা, মৰাঠী, গুজৰাটী, তেলুগু, কন্নড় আদিত এই বৃক্ষক 'শিৰীষ' বোলে। তামিলত 'বেগৈতৰম্' আৰু মলয়ালমত 'বেগমৰম' বুলিও বোলে।

ভাৰতৰ ঋষিকুল

গালৱ

গালৱ আছিল মহামুনি বিশ্বামিত্ৰৰ পুত্ৰ। এদিন সন্ধ্যাকালত জলত থিয় হৈ তেওঁ সূৰ্য্যদেৱতালৈ অৰ্ঘ্যদান কৰি আছিল, চিত্ৰসেন নামৰ গন্ধৰ্বৰজাই আকাশপথেৰে গৈ থাকোঁতে নিষ্ঠীৱন (থুই) নিক্ষেপ কৰিলে আৰু এই থু গালৱৰ হাতত পৰিলহি। গালৱ এই কথাত অতিপাত ক্ৰুদ্ধ হৈ উঠিল, আৰু তেওঁ পোনে পোনেই কৃষ্ণৰ কাষ চাপি কৃষ্ণক ক'লে, "চিত্ৰসেনক মৃত্যুদণ্ড দিয়া হওক।" গালৱৰ কথাত কৃষ্ণই সন্মতি প্ৰদানিলে।

কথাটো নাৰদমুনিয়ে চিত্ৰসেনক কোৱাত চিত্ৰসেন ভয়তে কম্পমান হ'ল আৰু মৃত্যুদণ্ডৰপৰা সাৰিবৰ উপায় বিচৰাত নাৰদমুনিয়ে চিত্ৰসেনৰ পত্নীদ্বয়ক—ৰত্নাৱলী আৰু সন্ধ্যাৱলীক—কৃষ্ণৰ ভনীয়েক অৰ্জুন-পত্নী সুভদ্ৰাৰ শৰণ ল'বলৈ ক'লে।

সুভদ্ৰাৰ ওচৰলৈ গৈ চিত্ৰসেনৰ পত্নীদ্বয়ে যেতিয়া কান্দি থাকিল, তেতিয়া সুভদ্ৰাৰ মনত পুতৌ উপজিল, আৰু তেওঁ পতি অৰ্জুনক ক'লে যে—ইহঁতি যেতিয়া আমাৰ তথা আপোনাৰ শৰণ লৈছে—তেতিয়া শৰণাগতক ৰক্ষা কৰাটো কৰ্তব্য। কিয়নো —শৰণাৰ্থীক ৰক্ষা কৰাটো—ক্ষাত্ৰধৰ্ম।

অতঃপৰ—সুভদ্ৰাৰ অনুৰোধত অৰ্জুনে চিত্ৰসেনৰ দেহৰ চাৰিওফালে অদৃশ্য কৱচ নিৰ্মাণ কৰি দিলে। তেতিয়া কৃষ্ণ তালৈ আহিল, আৰু অৰ্জুনে চিত্ৰসেনক তেনেকৈ ৰক্ষা কৰাত কৃষ্ণই অৰ্জুনৰ বিৰুদ্ধে অস্ত্ৰ-ধাৰণ কৰিলে। অকস্মাৎ সুভদ্ৰা দুয়োজনৰ মাজত থিয় হ'ল আৰু যুদ্ধ বন্ধ কৰিবলৈ প্ৰাৰ্থনা জনালে।

তেতিয়া কৃষ্ণই চিত্ৰসেনক গালৱৰপৰা ক্ষমাভিক্ষা কৰিবলৈ ক'লে। চিত্ৰসেনে গালৱৰ পদপ্ৰান্তত পৰি অজ্ঞানভাবে অন্যায় কৰাত গালৱৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে।

গালৱমুনি শান্ত হ'ল। তেওঁ কৃষ্ণক কলে, "অনুতাপতকৈ ডাঙৰ প্ৰায়শ্চিত্ত আৰু নাই। তেওঁৰ আত্ম-অহংকাৰ গুচিল, গতিকে তেওঁক সংহাৰ কৰাৰপৰা বিৰত হ'বলৈ আপোনালৈ প্ৰাৰ্থনা জনাইছোঁ।"



জানিব লগীয়া

১. স্বামী বিবেকানন্দই শিকাগোত বিশ্বধর্ম মহাসম্মিলনত অংশগ্ৰহণ কৰিছিল—কোন চনত ?

২. ১৭৮১ চনত আমেৰিকাৰ ইয়ৰ্ক চহৰত বৃটিশ সৈন্যৰ বিৰুদ্ধে আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ অন্ত পৰিছিল। তেতিয়াৰ বৃটিছ কম্যাণ্ডাৰ কোন আছিল ?

৩. এগৰাকী হিন্দু ধৰ্মীয় নেতাই অন্ধ-বিশ্বাস আৰু কুসংস্কাৰলৈ ককৰ্থনা জনাইছিল। তেওঁৰ নাম কি ?

৪. বিখ্যাত অভিযাত্ৰী ৰোণাল্ড আমুণ্ডসেনে ১৯১১ চনত দক্ষিণমেৰু পাইছিলগৈ। তেওঁ কোন দেশৰ মানুহ ?

৫. অন্ধ্ৰপ্ৰদেশৰ শিৰৰামপল্লীৰপৰা এক গুৰুত্বপূৰ্ণ আন্দোলনৰ পাতনি তৰা হৈছিল। সেই আন্দোলনৰ নাম কি ?

৬. নিউবিয়ান মৰুভূমি ক'ত অৱস্থিত ?

৭. ফাৰ্দিনান্দ-ছ্য-লেছেপ্‌ছ কোন ? তেওঁ কি কাৰণে খ্যাত ?

৮. আমাৰ জাতীয় সংগীত 'বন্দে মাতৰম্' আদিতে এখন উপন্যাসত ৰচিত। উপন্যাসখনৰ আৰু ঔপন্যাসিকজনৰ নাম কি ?

৯. সুবিখ্যাত বৃটিছ সৈনিক টি.ই. লৰেন্সে আন এখন দেশৰ হৈ যুদ্ধ কৰিছিল। দেশখনৰ নাম ?

১০. এগৰাকী বিখ্যাত ভাৰতীয় বিপ্লৱী নেতা কাৰাগাৰত অনশন-ধৰ্মঘট কৰি মৃত্যুবৰণ কৰিছিল। তেওঁ কোন ?

১১. অ্যালবাৰ্ট য়েইনস্টাইনক 'খৃষ্টৰ পাছত মহান ইহুদি' বুলি—কোনে কৈছিল ?

১২. 'নাট্য-শাস্ত্ৰ'ৰ ৰচক কোন ?

১৩. এগৰাকী মহান চীনদেশীয় নেতা হংকঙৰপৰা চিকিৎসাবিদ্যাত স্নাতক হৈছিল। তেওঁ কোন ?

১৪. গুহাত থকা ত্ৰিমূৰ্তি ক'ত আছে ?

১৫. আমেৰিকান লাইব্ৰেৰি অব্ কংগ্ৰেছ—কোনে নিৰ্মাণ কৰিছিল ?

জানক

১. ১৮৯৩ চনত।

২. লৰ্ড কৰ্ণওৱালিছ।

৩. স্বামী বিবেকানন্দ।

৪. নৰওৱে।

৫. ভূদান আন্দোলন।

৬. সুদানত।

৭. ফৰাচি ৰাষ্ট্ৰদূত, তেওঁ চুৱেজ খাল নিৰ্মাণ কৰিছিল।

৮. আনন্দমঠ, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়।

৯. আৰবদেশৰ হৈ।

১০. যতীন দাস।

১১. জে. বি. এছ. হালডেনে।

১২. ভৰতমুনি।

১৩. চান-ইয়াৎ-সেন।

১৪. এলেফ্যান্টা।

১৫. হাৰবাৰ্ট পুটনাম।

সোণালী দুৱাৰৰ প্ৰশ্নাৱলী ৪-ৰ : উত্তৰ

১. এইচ্. জি. ওৱেলেছে লিখা 'দ্য ওৱাৰ অব্ দ্য ওৱাৰ্ল্ডছ'ৰ ভিত্তিত ৰূপাৰোপিত অনাতাঁৰ নাটক।

২. ডায়্যানা। ৰোম্যানসকল এই জোনৰ দেৱী চিকাৰৰো দেৱী আছিল।

৩. 'বগা-বাওনা' হ'ল এক মৃত্যুমুখী নক্ষত্ৰ।

৪. শুক্ৰগ্ৰহ। মাত্ৰ এই গ্ৰহটিয়েই পুবৰ-পৰা পশ্চিমলৈ ঘূৰে।

৫. ফাৰ্দিনান্দ ম্যাগেল্লান। তেওঁৰ নামেৰে —'দ্য লাৰ্জ ম্যাগেল্লানিক ক্লাউড' আৰু 'দ্য স্মল ম্যাগেল্লানিক ক্লাউড'ৰ নামকৰণ কৰা হৈছে। এই হাতীপটিদ্বয় আমাৰ পৃথিৱীৰ নিচেই ওচৰত।

৬. উত্তৰ আমেৰিকাৰ অ্যাৰিজোনাত।

৭. হে'লিৰ ধূমকেতু। এই নেজালতৰাটো প্ৰতি ৭৬ বছৰৰ বাদে বাদে এবাৰকৈ ওলায়। ১৯৮৬ চনত ওলাইছিল।

মহাকাশলৈ সাহসিক যাত্ৰা

মহাকাশযানে আক্ৰমণ কৰাৰ বাবে এই পথ লৈছিল।



চকুপানীৰ পৰিব্ৰতা

এই কথাত অনসূয়াই বৰ দুখ পালে যে—পাৰ্বতীয়ে তাইৰ ল'ৰাৰ—আনন্দৰ বিয়া অইনত খাটাং কৰি পেলালে। অনসূয়াই তেওঁৰ ছোৱালীজনীক লৈ পাৰ্বতীহঁতৰ ঘৰতে ভাড়াটিয়া হিচাপে আছিল।

দুবছৰৰ আগতে যেতিয়া মাকে-ছোৱালয়ে ইয়াত— পাৰ্বতীহঁতৰ ঘৰলৈ ভাড়াটিয়া হিচাপে আহিছিল—তেতিয়া পাৰ্বতীৰ ল'ৰা—আনন্দ আছিল দুৰা। সি যে কেনেকৈ দহটকীয়া হ'ব—বা কোনো-দিনেই দহটকীয়টো হ'ব পাৰিবনে নাই সেই কথাত তাৰ মাক পাৰ্বতী অতিপাত চিন্তিত আছিল, আৰু এইবোৰ দুখৰ কথা অনসূয়াকো কেইবাবাৰো কৈছিল। পাৰ্বতীয়ে কৈছিল যে — মূলধন দিব পৰাহেঁতেন — আনন্দক বেহা-বেপাৰত ধৰালেহেঁতেন, কিন্তু মূলধন ক'তো পাবলৈ নাই, আমাৰো নাই।

মৃত্যুৰ আগে আগে, গিৰিয়েকে অনসূয়াৰ হাতত নগদে পঞ্চাছ হেজাৰ টকা দি গৈছিল। সেই টকাৰপৰা যোৱা আঢ়ৈ বছৰত প্ৰায় পোন্ধৰহেজাৰমান খৰচ হৈ গ'ল। যিখিনি আছে—তাতে কল্যাণী-জনীৰ বিয়া পাতিব বুলি আৰু এপইচাও খৰচ নকৰা হ'ল। অনসূয়াই আচাৰ বানাইছিল, মগু আৰু আলুৰো পাপড় বানইছিল, আৰু নিজেই সেইবোৰ দোকানে-সমাৰে ঘূৰি ঘূৰি বেচি যি আৰ্জিছিল, তাতেই কথমপি মাকে-ছোৱালীয়ে চলিছিল, সাঁচতীয়াখিনিত হাত নিদিছিল।

পাৰ্বতীৰ দুখৰ কাহিনী কেইবাবাৰো

অজিত পাঠক

শুনাৰ পাছত এদিন অনসূয়াই পাৰ্বতীক ক'লে, "যদিও আমি তোমালোকৰ ভা ড়া টি য়া, তথাপি, আমাৰ লগত একেবাৰে আপোন মানুহৰ দৰে ব্যৱহাৰ কৰিছা, ঘৰৰ নক'বলগীয়াও কৈছা।— ঠিক আছে, তোমাৰ ল'ৰাটিয়ে—আনন্দই যদি প্ৰকৃততেই বেহা-বেপাৰ কৰে—মই কিছু মূলধন তাক দিম।"

এই বুলি কৈ, অনসূয়াই পাৰ্বতীৰ হাতত বিছহেজাৰ টকা দিলে।

অবাক হৈ নিৰ্বাক হৈ পৰা পাৰ্বতীয়ে উচুপি উচুপি অনসূয়াৰ হাতদুখনত ধৰি ক'লে, "অনসূয়া, তোমাৰ এই উপকাৰৰ আনকি শলাগ লোৱাৰ ক্ষমতাও মোৰ নাই। যেই কি নহওক—এই টকাখিনি মই তোমাক কেতিয়াও ঘূৰাই নিদিওঁ, দুটামান বছৰৰ অন্তত কল্যাণীজনীক মই বোৱাৰী হিচাপে ল'ম—কথা দিলোঁ।"

পাৰ্বতীৰ কথাত অতি আনন্দিতা অনসূয়াও হতবাক হৈ পৰিছিল।

তাৰ পাছত — সেইখিনি টকাৰে আনন্দই বাস্তৱিকতে যেয়া-বেপাৰত ধৰিছিল, আৰু তাৰ ভাগ্যই তাক অকৃপণ-ভাবে সহায় দিয়াত—সি ডেৰবছৰমানতে লাখপতিৰো অধিক হৈ বেপাৰী-সমাজত গণ্য-মান্য হৈ উঠিছিল। আৰু—পৰৱৰ্তী বছৰটোতো ৰাইমাইদি কোঁচাইছিল।

যেতিয়া আঢ়ৈ বছৰমান পাৰ হ'ল, তেতিয়া অনসূয়াই আনন্দৰ সৈতে কল্যাণীৰ বিয়াৰ প্ৰস্তাৱ যথোচিত প্ৰথামতে উত্থাপন কৰাৰ বাবে যো-জা কৰোঁতেই—এদিন পাৰ্বতীয়ে অনসূয়ালৈ টকাৰ টোপোলা এটি দিলে, আৰু ক'লে, "ভালকৈ গণ্তি কৰি লোৱা, সুতে-মূলে পঁচিছ হেজাৰ আছে। তোমাৰ পাওনা পৰিশোধ কৰা হ'ল।"

হতভম্ব হৈ পৰা অনসূয়াই কওঁ-নকওঁকৈ ক'লে, "এয়ানো কি কথা? এইখিনি টকা আৰু ঘূৰাই নিদিবা— কল্যাণীক বোৱাৰী কৰি ল'বা — বুলি তুমিয়েই কোৱানাছিলানে?"

"মানি লৈছোঁ, কৈছিলোঁ আঢ়ৈ বছ'মানৰ আগত। কিন্তু মাজত এতিয়া

বেপেৰুৱা মনে মূৰ দাঙিছে। তোমাৰ টকাৰেই বেপাৰ কৰি আমাৰ আনন্দই সকলো কথা বেপেৰুৱা দৃষ্টিৰেহে দেখা হৈছে। বুইছা নহয়? শনিদেৱদাসৰ নাম শুনিছাই নহয়? মস্ত ডাঙৰ কাৰবাৰী। তেওঁ আমাৰ ল'ৰাটোক নগদে লাখটকা যৌতুক — আৰু অন্যান্য দান-সামগ্ৰীও লাখমানৰ দিবলৈ নিজেই গাত লৈছে। আমি একো-এটাও খোজা নাছিলোঁ, কিন্তু তেওঁ দিবই। গতিকে—আনন্দই এতিয়া আৰু আগৰ আকলি-বাকলি-বোৰলৈ মনেই নকৰা হৈছে।"

অনসূয়াই ভাবি স্থিৰ কৰিলে যে আনন্দৰ বিয়াখন হৈ যোৱাৰ পাছত তেওঁ পাৰ্বতীহঁতৰ ঘৰ এৰি গুচি যাবগৈ।

গতিকে—অনসূয়াই পুনৰ ভাড়া-ঘৰ বিচাৰি ওলাল, কিন্তু ভাড়ালৈ ল'ব পৰা এটা ঘৰো বিচাৰি উলিয়াব নোৱাৰিলে। নিৰাশ মনেৰে যেতিয়া উভতি খোজ ল'লে, তেতিয়া অত্যন্ত নিৰিবিলিত প্ৰায় পঁজাঘৰৰ নিচিনা ঘৰ এটা দেখি অনুসূয়াৰ বৰ ভাল লাগি গ'ল। ঘৰৰ আগত এজোপা নাৰিকলৰ তকত এজন যুৱক বহি আছিল। অনসূয়াই যুৱকক সুধিলে, "বোপা তোমালোকৰ ঘৰৰ এটা কোঠা ভাড়ালৈ দিবানে?"

যুৱকে অনসূয়ালৈ তীক্ষ্ণ দৃষ্টিৰে চালে আৰু ক'লে, "আমাৰ একেবাৰে সৌ শেষৰ কোঠাটো চাৰিদিনৰ পাছত খালী হ'ব। চাবলৈ ইচ্ছা কৰে যদি—চাব পাৰে।"

কোঠাটো মানে—এটা মাত্ৰ কোঠা নহয়, লগত আন এটা সৰু কোঠাও আছে। চাই ভাল লাগি গ'ল অনুসূয়াৰ।

ভাড়াৰ কথা সোধাত যুৱক ক'লে "ভাড়া—মাহেকত পাঁচশৰ কমে নহ'ব, আৰু তুমাহৰ আগধন দিব লাগিব।"

অনসূয়াই টকা ভালেখিনি লগত লৈয়েই ওলাইছিল, তৎক্ষণাৎ যুৱকৰ হাতত এহেজাৰ টকা দিলে আৰু ক'লে, "আমি —এই দেওবাৰে আমাৰ লাম-লাকটুৰে সৈতে আহিব পাৰিমনে? যুৱকে 'হয়—আহক' ভাবেৰে মূৰ দুপিয়ালে।

আৰু দেওবাৰ দিনা মাকে-ছোৱালীয়ে



মিলি গাড়ী এখনত উঠি সিহঁতৰ বস্তু-সামগ্ৰীখিনিৰে সৈতে পাৰ্বতীহঁতৰ ঘৰ এৰি গুচি আহিল।

যেতিয়া সেই ঘৰটোৰ আগত গাড়ীৰপৰা নামি মাল-বস্তুখিনি নমাবলৈ ধৰিলে অনসূয়াই-কল্যাণীয়ে, তেতিয়া এজন বুঢ়া মানুহে অনসূয়াক সুধিলেহি, আপোনালোক—কোন?"

"আমি আপোনালোকৰ ঘৰৰ কোঠা এটা ভাড়ালৈ লৈছোঁ যে—"

বুঢ়া মানুহজনে হাত দাঙি অনুসূয়াক ৰখালে আৰু সুধিলে, "ভাড়ালৈ লৈছে? কিন্তু—আমাৰ ঘৰৰ কোনো কোঠা তো খালী হৈ থকা নাই? সৌ শেষৰ কোঠাটোত যোৱা পাঁচ বছৰৰপৰা আমাৰ গুৰুতুল্য ৰামশাস্ত্ৰীদেউ থাকে।"

"কিন্তু আপোনাৰ—ল'ৰাজনে আমৰপৰা এহেজাৰ টকা আগধন হিচাপে ল'লে আৰু আজি আমাক আহিবলৈ ক'লে যে—!" অনসূয়াই সকলোখিনি ক'লে।

"এতিয়াহে বুজিলোঁ।" শাস্ত্ৰী-পত্নীয়ে ক'লে, "সেইদিনা আমি মন্দিৰত ধ্বজ-স্তম্ভ স্থাপন উপলক্ষ্যে দিনটো মন্দিৰতে ব্যস্ত হৈ আছিলোঁ, আৰু—ঘৰৰ চাবি আমাৰ দূৰ-সম্পৰ্কীয় আত্মীয়ৰ ল'ৰা কল্যাণকুমাৰৰ হাতত দি গৈছিলোঁ। সিয়েই নিশ্চয় এই কাণ্ড কৰিলে, আৰু এওঁৰপৰা হেজাৰ টকা ল'লে।"

শুনি—অনসূয়াৰ মূৰত যেনিবা চৰগহে পৰিল। এতিয়া উপায়—? থকা ঘৰ এৰি আহি আকৌ তো সোমাবগৈ নোৱাৰি!

উপায় ওলাল। বুঢ়া মানুহজনে ৰামশাস্ত্ৰীৰ সৈতে গুন-গুনকৈ কথা এখি পাতিলে, আৰু তাৰ পাছত অনসূয়াক এটা খালী হৈ থকা সৰু কোঠালৈ লৈ গ'ল, আৰু মাল-মত্তাখিনি তাতে থৈ, অনসূয়া আৰু কল্যাণীক ঘৰৰ ভিতৰলৈ লৈ গ'ল।

অনসূয়াই বৃদ্ধৰপৰা জানিলে যে—সেই কল্যাণকুমাৰ গুৱিয়াল গাঁৱৰ মানুহ, আৰু কাম-বন নকৰি টলৌ টলৌকৈ ঘূৰি ফুৰাটোহে তাৰ কাম। কিন্তু সি যে এনেবোৰ প্ৰতাৰণা তো ধৰিছে—

সেই কথা তেওঁলোকে নাজানিছিল।

তাৰ পাছত বুঢ়া মানুহজনে অনসূয়াক ক'লে, "আই, সৌ সৰু কোঠাটোত তোমালোকে থাকিব পাৰা যদি—থাকা। ভাড়া—এপইচাও দিব নালাগে। আৰু যদি—তাত থাকিবলৈ টান পোৱা—আন কোনোবা এটা ঘৰ বিচাৰি নোপোৱালৈকে আমাৰ লগতে থাকা।"

কেইদিনমানৰ পাছত অনসূয়াই গুৰিয়াল গাঁৱলৈ বুলি ওলাল কল্যাণক বিচাৰি। সৰু গাঁওখন, খুব সহজেই বিচাৰি উলিয়াব পাৰিলে কল্যাণকুমাৰৰ ঘৰটো।

ঘৰৰ দুৱাৰ বন্ধ। অনসূয়াই দুৱাৰৰ কেৰোৱাত ধৰি খট খটাবলৈ লওঁতেই ঘৰৰ ভিতৰত চলি থকা কথা কিছুমান কাণত পৰিল তেওঁৰ:

"মা, তোমাৰ বেমাৰৰ চিকিৎসাৰ বাবে মোৰ ওচৰত এটা পইচাও নাছিল। বৰ আশাৰে চিনাকিহঁতৰ কাষ চাপিছিলোঁ টকা—কৰ্জা বিচাৰি। নাপালোঁ। কোনেও নিদিলে। কিন্তু নিদিলে বুলিয়েই তেওঁলোকক বেয়া মানুহ বুলি মই নকওঁ।" কল্যাণকুমাৰে তাৰ মাকক সকলো কথা ক'লে, ক'লে এগৰাকী নিৰ্দোষী মহিলাক প্ৰতাৰণা কৰাৰ কথা। আৰু কৈ কৈ—এসময়ত প্ৰতাৰণাৰ বাবে কান্দি পেলালে।

তেতিয়া অনসূয়াই ঘৰৰ কেৰেয়াত ধৰি জোৰেৰে খটখটালে আৰু লগে লগে দুৱাৰ খুলি স্বয়ং প্ৰতাৰক সেই যুৱক তেওঁৰ সমুখত ঠৰ হৈ থিয় হ'লহি।

অনসূয়াই যুৱক কল্যাণকুমাৰক ক'লে, "তুমি যে এক মহৎ কামৰ বাবে অমহৎ কামটি কৰিলা—ঘৰৰ বাহিৰত থিয় হৈ শুনিলোঁৱেই মই। এই ঘটনাৰ শিক্ষায়েই তোমাৰ জীৱনত অমূল পৰিৱৰ্তনৰ সৃষ্টি কৰিব, বোপা। চকুপানীৰ পবিত্ৰতাৰে তুমি পবিত্ৰ হ'লা।"

পাছত কল্যাণকুমাৰৰ সৈতে অনসূয়াই কল্যাণীৰ যোৰ পাতিছিল, আৰু সিহঁতে সুখে-শান্তিৰে জীৱন নিৰ্বাহ কৰিছিল।



বেমাৰৰ নাম উচ্চাশা

শ্ৰীপতি আৰু জগতপতি আছিল একেই-খন গাঁৱৰ নিবাসী নল-গল বন্ধু। যদিও শ্ৰীপতি ধনিক আৰু জগপতি দুখী, তথাপি, বন্ধুত্বত সিহঁত আছিল সুখী।

এদিন দুয়ো এঠাইলৈ বুলি একেলগে ওলাল। গৈ গৈ এঠাইত এটা কুঁৱাৰ পাৰত দুজনী ছোৱালীয়ে পতা কিছুখিনি কথা শ্ৰীপতি-জগপতিৰ কাণত সোমাল।

ৰংবিৰঙী শাড়ী পিন্ধাজনীয়ে বগা শাড়ী পিন্ধাজনীক কৈ আছিল, "লখিমী, সঁচা কোৱা, তোমাক কেনেকুৱা পতি লাগেনো?"

"ৰোহিণী, তোমাকো বাৰু মিছা ক'মনে? —মোৰ মনৰ আশাবোৰ বৰ উচ্চ। মোক দামী দামী সাজ পাৰ, গহনা-পাতিৰে সদায় তুষ্ট কৰিবৰ পৰা হৃষ্ট-পুষ্ট মালদাৰ পতি লাগে, লাগে ডাঙৰৰো ডাঙৰ আটক-ধুনীয়া অট্টালিকা আৰু লাগে—সদায় ভালৰো ভাল খানা-গানা-বাজানা। —কিন্তু। এইবোৰ আশা কেতিয়াও পূৰ নহ'ব। হ'ব্বই নোৱাৰে। —পিছে—তোমাৰ?" লখিমীয়ে লপলপালে।

"মোৰ কোনো উচ্চাশা নাই। চব ভাগ্যৰ খেলা।"

সিহঁতৰ কথাখিনি শুনি শ্ৰীপতিয়ে ভাবি থাকিল: যিহেতু দুয়োজনীয়েই আবিয়ৈ, সিহেতু--আমি দুয়ো দুয়োজনীক বিয়া কৰালে বেয়া নহ'ব। মই কৰাম ৰোহিণীজনীক, আৰু জগপতিক দিম লখিমীক। তেতিয়া জগপতিয়ে গম পাব বিয়া কৰাই হিয়া বেচাৰ পৰিণাম কি।

শ্ৰীপতিয়ে জগপতিক ক'লে, "বোলোঁ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



ঐ জগা, এই দুজনীৰ এজনীক তই এজনীক মই—তয়ে-ময়ে বিয়া কৰালে কেনে দেখ? ৰংবিৰঙীক মই আৰু বগীক তই—? কি' তোৰ মত কি ক?"

জগপতিয়ে মূৰ কাতি কৰিলে।

আৰু ছিৰিপতি-জগপতি ছোৱালী দুজনীৰ পিছ লৈ গৈ গৈ সিহঁতৰ ঘৰ পাই সিহঁতৰ ডাঙৰহঁতক—মাক-দেউতাকক— মনৰ ইচ্ছাৰ কথা কৈয়েই পেলালে আৰু তেওঁলোকও তৎক্ষণাৎ ৰাজী হৈ গ'ল।

লখিমীক জগপতিয়ে বিয়া কৰালে, আৰু তাইক তাৰ জুপুৰিলৈ লৈ গ'ল। আৰু — ভাগ্যত বিশ্বাসী ৰোহিণীয়ে শ্ৰীপতিক বিয়া কৰাই অট্টালিকাৰ অধিশ্বৰী হৈ পৰিল।

ৰোহিণীয়ে পতি শ্ৰীপতিক ক'লে, "ইমান ডাঙৰ অট্টালিকা—কিন্তু কোনো চাকৰ-চাকৰাণী দেখা নাই যে—?"

শ্ৰীপতিয়ে হাঁহি মাৰি ক'লে, "চাকৰ-চাকৰাণী কিয় লাগিছে? তুমিয়ে-ময়ে—দুয়ো দুয়োৰো বাবে কামখিনি কৰিব নোৱাৰিম জানো?"

ৰাতিৰ পৰতে ৰোহিণীয়ে পতি শ্ৰীপতিক ক'লে, "আমাৰ ইমান ধন আছে —তাৰে দেখোন কত কি কৰিব পাৰি, দামী দামী কাপোৰ-কানি গহনা-পাতি পিন্ধিব পাৰি।"

শ্ৰীপতিয়ে ক'লে, "চোৱাঁ, এনেকুৱা কথা নক'বা। সম্পদ আছে বুলিয়েই ধোঁৱাখুলীয়া হ'ব নালাগে। কাপোৰ-কানি গহনা-পাতিৰ চাহিদা কোনো সুখ নহয়। মনৰ সুখেই প্ৰকৃত সুখ।"

ৰোহিণীয়ে ভোৰভোৰাই থাকিল: কটকিনা ক'বাৰ—চিকটা ক'বাৰ—।

পাছদিনা—ৰাতিপুৱা শ্ৰীপতি সিহঁতৰ ঘৰত চাৰিজন চাকৰিৰ দৰে ঘূৰি ঘূৰি ই-কাম সি—কাম কৰি থকা দেখা পাই আচৰিত মানি সিহঁতক সুধিলে, "তোমালোক কোন? ইয়াত কিকৰিছা?"

"আমি হ'লোঁ চাকৰ—আমাক আমাৰ গৰাকিয়নীয়ে কামত মাক্ৰল কইছি।"

"কি—? চাৰিজন চাকৰক মকৰল কৰিলে। যোৱা, গুচি যোৱা কৈছোঁ।

তোমালোকক কোনো দৰমহা মই নিদিওঁ।" শ্ৰীপতিয়ে গৰ্জি উঠি ক'লে।

ৰোহিণীয়ে শান্ত কণ্ঠেৰে ক'লে, "আপুনি চুপচাপ থাকক। মই চাৰিজন কিয়—চল্লিছজন চাকৰো ৰাখিব পাৰোঁ। ইমানকেইজনক কাম দিব পৰা বাবে আমি গৰ্ব অনুভৱ কৰা উচিত।"

"মই—বাটৰ ভিকহু হৈ যাম, বৰ্বাদ হৈ যাম।" শ্ৰীপতিয়ে চিঞৰি ক'লে।

কিন্তু শ্ৰীপতিৰ চিঞৰ-বাখৰে কোনো গুণ নিদিলে। পাছদিনাই ৰোহিণীয়ে বিৰাট দামী দামী গহনা-পাতি সাজ-পাট কিনি লৈ আহিল, আৰু শ্ৰীপতিয়ে ভেবা লাগি চাই থকাৰ অন্তত ক'লে, "এইবাৰ মোৰ পতন আৰম্ভ হ'ল যে—কোনো সন্দেহ নাই। সেই দিনা কুঁৱাৰ পাৰত যিকথা শুনি তোমাক বিয়া কৰাইছিলোঁ, সেই কথা আছিল ভুৱাকথা, আফুৰা কথা—গোকাট মিছা কথা।"

ৰোহিণীয়ে কৈ উঠিল, "হয়নে? কুঁৱাৰ পাৰত মোৰ কথা শুনিহে মোক বিয়া কৰাইছিলনে? কিন্তু মই সেইদিনা মই কোনো আফুৰা — কোনো মিছা কথা কোৱা নাছিলোঁ।—আমি চুখীয়া হোৱা-হেঁতেন, মই চুখীৰ দৰে টানি-মানি খৰচ কৰিলোহেঁতেন, সামান্যতে সন্তুষ্ট থাকিলো-হেঁতেন। কিন্তু— আছে যেতিয়া খৰচ নকৰিম কিয়?"

শ্ৰীপতিয়ে ভাবিলে: যিস্থলত মোৰেই এই দশা—জগপতিৰবা কি? সি যিজনীক ল'লে —তাই আছিল ৰোহিণীতকৈয়ো দহখোপ চৰা।



শ্ৰীপতি এদিন জগপতিৰ ঘৰলৈ গ'ল। তেতিয়া জগপতি আৰু লখিমীয়ে ভাত খাই আছিল। জগপতি আৰু লখিমীয়ে শ্ৰীপতিক আদৰি ল'লে আৰু শ্ৰীপতিয়েও খোলা মনেৰে সিহঁতহালৰ লগত তাতেই বহি দিলে।

জগপতি আৰু লখিমীৰ ভাৱ-ভংগীলৈ চাই আৰু কথা-বাৰ্তা শুনি শ্ৰীপতিৰ ধাৰণা হ'ল যে— সিহঁত বেছ সুখী দম্পতি। অথচ — জগপতিৰ অৱস্থাও টনাকিয়াল নহয়। টনকিয়াল নহয় যে— তাৰ দেখ দেখ প্ৰমাণ হ'ল—সিহঁতে মাত্ৰ তেঁতেলীৰ চাটনিৰেই ভাত খাই আছিল, আৰু সেই আওপুৰণি জুপুৰি-ঘৰতেই আছিল সিহঁত।

পাছত শ্ৰীপতিয়ে জগপতিক ক'লে, তোমালোকৰ ওচৰলৈ আহিম আহিম বুলি ভাবিও অহা নহয় যে নহয়েই—সময়েই নাপাওঁ। নিশ্চয় তোমালোক ভালে-শলেই আছা। এতিয়া কোৱা, লখিমীক ঘৈণীয়েৰ হিচাপে পাই কেনে পাইছা ?"

"সোৱা, বাৰীত যে শাক-পাচলি ফল-মূল দেখিছা—চব লখিমীয়ে কৰা। সেই-বোৰ আমি খাওঁ, বেচোঁ, বেচি দুপইচা ঘটোঁ।" জগপতিয়ে ক'লে।

শ্ৰী প তি য়ে লখিমীক সুধিলে, "তেনেহ'লে — বিয়াৰ আগতে কুঁৱাৰ পাৰত থিয় হৈ ৰোহিণীক যি কথা কৈছিলা --সকলো উলট-পুলট হৈ গ'লনে ?"

"উলট-পুলট ? একেবাৰেই নহয়। আচলতে—তেতিয়া মোৰ উচ্চাশা নামৰ বেমাৰ আছিল, যি-বেমাৰ বিয়াৰ পাছত ভাল হৈ গ'ল। যি আছে তাকে লৈ সুখৰ উপলব্ধিয়েই হ'ল সুখ, তাৰ ইফাল-সিফাল হ'লেই দুখ। মই এতিয়া সামান্যতে সুখৰ সা-সন্ধান পাবলৈ শিকিলোঁ।" লখিমীয়ে মিঠা মিঠা হাঁহিৰে মুখখন উজলাই ক'লে।

লখিমীৰ কথাই শ্ৰীপতিৰ জীৱনলৈ নতুন চিন্তাৰ সমল কঢ়িয়াই আনিলে।



ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri

S.G. Seshagiri

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ নভেমবাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ ছেপটেমবাৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ই নহয় নাও-খেল

দ্বিতীয় ফটো : এই খেল জীৱনৰ

পাওঁতা : শ্ৰীপল্লৱী শৰ্মা, বাপুজী এম ই স্কুল, (সপ্তম মান), ভেটুৰা, বৰপেটা, ৭৮১৩২৫

ভাৰতত বছৰেকীয়া বৰঙনি চান্দামামা ১২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) November 1996 Regd. No. TN / MS (S) 87

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

26.11.96

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। ৬৫ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/110as